# পাপৰ পৰা কেনেকৈ মুক্তি পাব পাৰে



হজৰত মির্জা গোলাম আহমদ
প্রতিশ্রুত মছীহ ও মাহদী (আঃ)

# পাপৰ পৰা কেনেকৈ মুক্তি পাব পাৰে

লিখক
হজৰত মির্জা গোলাম আহমদ
প্রতিশ্রুত মছীহ ও মাহদী (আঃ)

| | |
|---|---|
| নাম কিতাপ | : পাপৰ পৰা কেনেকৈ মুক্তি পাব পাৰে |
| মূল কিতাপ | : গুনাহ ছে নিজাত কিয়ুংকৰ মিল ছকতি হ্যায় |
| লিখক | : হজৰত মির্জা গোলাম আহমদ প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ) |
| অনুবাদক | : ৰেজিয়া খাতুন B.Sc. |
| প্ৰকাশক | : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| প্ৰথম প্ৰকাশ | : ২০২৫ কপি ৩০০ |
| মুদ্ৰণে | : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ,পিন ১৪৩৫১৬ পঞ্জাৱ |

| | |
|---|---|
| Name Book | Papar Para Kenekoi Mukti Pab Pare |
| Original Book | Gunah Se Nijat Kiunkar Mil Sakti Hai |
| Author | Hazrat Mirza Ghulam Ahmad The Promise Messiah(as) |
| Translated by | Rejia Khatun B.Sc. |
| Published by | Nazarat Nashr-O-Ishaat Qadian |
| First Published | 2025, 300 Copies |
| Printed at | Fazle Umar Printing Press Qadian,Dist: Gurdaspur 143516 (Punjab) |

# প্ৰকাশকৰ কথা

গুনাহ ছে নিজাত কিয়ুংকৰ মিল ছকতি হ্যায় পুস্তকখন হিন্দীৰ পৰা অসমীয়া ভাষালৈ ভাষান্তৰ কৰিছে মাননীয়া ৰেজিয়া খাতুন B.Sc। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা (সদস্য ৰিভিউ কমিটি অসম),মাননীয় শ্বাহজাহান আলি চাহাব মুৱাল্লিম ছিলছিলা (সদস্য ৰিভিউ কমিটি অসম)। পুস্তকখন ৰিভিউ হোৱাৰ পাছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই পুস্তকখন ফাইনাল প্ৰস্তুত কৰিছে। পুস্তকখন প্ৰকাশ কৰাত যিসকলে সহায়-সহযোগ আগবঢ়াইছে আল্লাহ তা'লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**



হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী
প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)
(১৮৩৫-১৯০৮)

# লিখক পৰিচিত

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ)য়ে উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। সেই সময়ত ইছলামৰ ওপৰত চাৰিওফালৰ পৰা আক্ৰমণ হৈ আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে, আৰু সহস্ৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যিয়ে মানৱ-জাতিক নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে। কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ ছিলছিলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জামাতৰ ভেঁটি স্থাপন কৰে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক) যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্ম গ্ৰন্থত বিভিন্ন নামেৰে নামকৰণ আছে। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী যাৰ আবিৰ্ভাৱৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জামাত বৰ্তমান ২০০ ৰো অধিক দেশত বিস্তাৰ লাভ কৰিছে। ১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ অভিযান

পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা হয়।

## পাপৰ পৰা কেনেকৈ মুক্তি পোৱা যায়

এই আলোচনীৰ জৰিয়তে আমি জগতৰ সন্মুখত এই বিষয়টো তুলি ধৰিব বিচাৰো যে জাগতিক ফালৰ পৰা আমাৰ বৰ্তমান যুগ যিদৰে উন্নতি সাধন কৰিছে, আধ্যাত্মিক ক্ষেত্ৰত সেইদৰেই ইয়াৰ অৱনতিও ঘটিছে; আনকি পৱিত্ৰ সততাক স্পৰ্শ কৰাৰ অৰ্থাৎ জনাৰ ধৈৰ্য খিনিও মানৱাত্মাত অৱশিষ্ট নাই; বৰং মানুহৰ সম্বন্ধে গভীৰ ভাৱে চিন্তা কৰাৰ ফলত দেখা গৈছে যে কোনো প্ৰবল গোপন আকৰ্ষণে সিহঁতক অধঃপতনৰ ফালে টানি আছে আৰু প্ৰতি মুহূৰ্তত সিহঁতে এটা গাঁতৰ ফালে ধাবিত হৈ আছে; আন কথাত যাক হীনৰ পৰা হীনতৰ স্তৰ বুলি ক'ব পাৰি। মানুহৰ চিন্তা-চেতনা আৰু বিচাৰ শক্তিৰ এইদৰে বিপ্লৱ ঘটিছে যে সিহঁতে এই ধৰণৰ বস্তুৰ প্ৰশংসা কৰি আছে যি আধ্যাত্মিক দৃষ্টিত অতি ঘৃণনীয় আৰু কুৎসিত। প্ৰত্যেক বিবেকবানে অনুভৱ কৰিছে যে কোনো এটা আকৰ্ষণে সিহঁতক অধঃপতনৰ ফালে লৈ আছে আৰু সেই ধ্বংসকাৰী আকৰ্ষণৰ ফলত জগতৰ এটা অংশ ধ্বংস হৈ গৈছে। খাঁটি আৰু পৱিত্ৰ সত্তাক হাঁহি-বিদ্ৰূপ আৰু তুচ্ছ জ্ঞান কৰা হৈ আছে আৰু প্ৰকৃত খোদামুখী হোৱা অৰ্থাৎ সেইজনাৰ ইচ্ছাৰ প্ৰতি আত্মসমৰ্পন কৰাকে নিৰ্বুদ্ধিতা বুলি ভাবি আছে। সমস্ত প্ৰবৃত্তি যি পৃথিৱীত পূৰ্ণতঃ সংসাৰত নতমস্তক দেখিবলৈ পোৱা গৈ আছে যেনিবা এটা গুপ্ত আকৰ্ষণ শক্তিত অসমৰ্থ আৰু বাধ্য হৈ পৰিছে। এই কথাসমূহ আমি ইতিপূৰ্বে উল্লেখ কৰি আহিছো যে পৃথিৱীৰ সকলো ক্ৰিয়াকৰ্ম এক আকৰ্ষণৰ মাধ্যমেই সংঘটিত হৈ থাকে। যি ক্ষেত্ৰত একীনৰ (নিশ্চিত বিশ্বাসৰ) শক্তিৰ প্ৰাধান্যতা থাকে সেই শক্তিয়ে দ্বিতীয় ফালৰ পৰা নিজকে টানি লয়। গতিকে এই দৰ্শন বা নীতি বাস্তৱ যে এটা আকৰ্ষণক কেৱল সেই আকৰ্ষণে প্ৰতিৰোধ কৰিব পাৰে যি ইয়াতকৈ অধিক প্ৰবল আৰু শক্তিশালী। গতিকে পৃথিৱীখন আজি এটা অশুভ

আকৰ্ষণৰ ফলত তলৰ ফালে অতিক্ৰম কৰি আছে আৰু ইয়াৰ ঊৰ্ধমুখী হোৱাটো অসম্ভৱ যেতিয়ালৈকে ইয়াৰ বিৰুদ্ধে শক্তিশালী আকৰ্ষণ আকাশৰ পৰা সৃষ্টি নহয় যিয়ে প্ৰতিপক্ষৰ প্ৰত্যয় আৰু বিশ্বাসক বৃদ্ধি কৰিব। অৰ্থাৎ নিশ্চিত দৃষ্টিত যিদৰে কু-প্ৰবৃত্তিৰ কামনা-বাসনা, অপকৰ্মৰ সোৱাদ অনুভৱ কৰি আছে ইয়াতোকৈ অধিক খোদাৰ আদেশ পালনত যে অধিক কল্যাণ আৰু উপকাৰ মানুহে দেখিবলৈ পাব তাৰ পৰিৱৰ্তে পাপ কৰ্মত লিপ্ত হৈ আছে যি মৃত্যুৰ সমতুল্য। এই নিশ্চয়তাৰ পোহৰ আকাশৰ পৰা কেৱল সেই সূৰ্যৰ মাধ্যমে আহি থাকে যিজন যুগৰ ইমাম হয়। গতিকে এই ইমামক গ্ৰহণ নকৰিলে অজ্ঞতাৰ মৃত্যু বৰণ কৰিব লাগিব। যি ব্যক্তিয়ে কয় যে মই এই সূৰ্যৰ পৰা পোহৰ লাভ কৰিব নিবিচাৰো, তেওঁ খোদাৰ চিৰন্তন নিয়ম ভংগ কৰিব বিচাৰে। সূৰ্যৰ পোহৰ অবিহনে চকুৰে দেখা সম্ভৱনে ? চকুত পোহৰ থকা সত্বেও সেয়া সূৰ্যৰ মুখাপেক্ষী। সূৰ্য হ'ল প্ৰকৃত পোহৰ যি আকাশৰ পৰা আহি পৃথিৱীখন আলোকিত কৰে আৰু ইয়াৰ অবিহনে চকু অন্ধ হৈ পৰে। এই আকাশৰ পোহৰৰ জৰিয়তে বিশ্বাস সৃষ্টি হ'ব, যাৰ ফলত পুণ্যৰ ফালে আকৰ্ষিত হ'ব; এই আকাশৰ আকৰ্ষণ আৰু পাৰ্থিৱ আকৰ্ষণৰ মাজত যুঁজ হোৱাটো এটা স্বাভাৱিক বিষয়; কাৰণ এই ক্ষেত্ৰত এটা আকৰ্ষণে পুণ্যৰ ফালে আৰু আন এটা আকৰ্ষণে বেয়াৰ ফালে টানিব আৰু এটা পূব দিশলৈ আনটো পশ্চিম দিশলৈ ঠেলি দিব। সেই ক্ষেত্ৰত দুয়োৰে মাজত সংঘৰ্ষ অতি ভয়াবহ হ'ব। তেতিয়া দুয়োৰে মাজত চৰম পৰ্যায়ৰ আকৰ্ষণ বিদ্যমান থাকিব, যাৰ বিদ্যমানতা পাৰ্থিৱ চূড়ান্ত উন্নতি লাভৰ বাবে অত্যাৱশ্যক। গতিকে যেতিয়া তোমালোকে দেখিবা যে পৃথিৱী চৰম উন্নতি লাভ কৰিছে তেতিয়া বুজিবা যে এয়া ঐশ্বৰিক উন্নতিৰো যুগ। বিশ্বাস কৰি লোৱা যে আকাশত আধ্যাত্মিকতাৰ প্ৰস্তুতি হৈ আছে আৰু তাতে এটা আকৰ্ষণ সৃষ্টি হৈছে যিয়ে পৃথিৱীৰ

আকৰ্ষণৰ সৈতে যুঁজিব বিচাৰে। গতিকে এই দিনবোৰ ভয়ংকৰ হ'ব যেতিয়া পৃথিৱীখন আলস্য আৰু দুষ্টতাৰে চৰম পৰ্যায়লৈ আগবাঢ়ি যাব। কাৰণ এইবোৰ আধ্যাত্মিক সংগ্ৰামৰ প্ৰতিশ্ৰুতিৰ দিৱস, যিটো নবীসকলে বিভিন্ন উপমাত বৰ্ণনা কৰিছে আৰু কিছুমানে উদাহৰণৰ দ্বাৰা সেয়া উত্থাপন কৰিছে যে আকাশৰ ফিৰিস্তা আৰু পৃথিৱীৰ চয়তানৰ মাজত অন্তিম যুদ্ধ হ'ব, যাৰ ফলত এই জগতৰ অন্ত পৰিব; আৰু কিছুমান মানুহে নিজৰ অজ্ঞতা আৰু অজ্ঞানতাৰ বাবে এই যুঁজখনক শাৰীৰিক যুঁজ বুলি গণ্য কৰিছে, যিখন তৰোৱাল আৰু বন্দুকৰে কৰা হয়। কিন্তু সেই মানুহবোৰ ভুল আৰু নিজৰ নিম্ন বুদ্ধিমতা আৰু মূৰ্খামিৰে আধ্যাত্মিক যুদ্ধখনক শাৰীৰিক যুদ্ধলৈ টানি লৈ গৈছে।

সেয়ে আজিকালি পৃথিৱীৰ আন্ধাৰ আৰু আকাশৰ পোহৰৰ মাজত চৰম যুদ্ধ চলি আছে। আদম (আঃ)ৰ পৰা আৰম্ভ কৰি আমাৰ নবী (ছাঃ) লৈকে আল্লাহৰ সকলো পৱিত্ৰ নবীসকলে এই যুদ্ধৰ কথা উল্লেখ কৰি আহিছে আৰু এই যুদ্ধৰ সেনাপতিসকলক দুটা বেলেগ বেলেগ নাম দিয়া হৈছে, এটাই সত্য লুকুৱাই ৰাখিছে আৰু আনটোৱে সত্য প্ৰকাশ কৰিছে। আন শব্দত এয়া কোৱা হৈছে যে আকাশৰ পৰা ঐশ্বৰিক পোহৰ ফিৰিস্তাৰ সৈতে অৱতৰণ কৰিব আৰু মিকাইলৰ প্ৰকাশ পৃথিৱীৰ পৰা সকলো চয়তানী অন্ধকাৰৰ সৈতে ইব্লিছ নামেৰে প্ৰকাশ হ'ব। যেতিয়া আমি দেখিবলৈ পাওঁ যে পাৰ্থিৱ সেনাবাহিনী ভালদৰে প্ৰস্তুত হৈ আছে আৰু তেওঁলোকে ভালদৰে সজ্জিত হৈ থিয় হৈ নিজৰ কাম কৰি আছে আৰু বহুখিনি কৰিছে, তেতিয়া স্বাভাৱিকতে এই সম্ভাৱৰ সৃষ্টি হয় আৰু সঠিক বিবেকে সাক্ষ্য দিয়ে যে ঐশ্বৰিক চৰকাৰো তেওঁলোকৰ মাজত প্ৰস্তুতিৰ প্ৰতি অৱহেলিত নহয়। এই চৰকাৰৰ এটা অভ্যাস আছে যে বাহিৰৰ কোলাহল ভাল নাপায় আৰু ই আভ্যন্তৰীণভাৱে বহু কাম কৰে যাক

মানুহেও গম নাপায়, তাৰ পিছত আকাশত এটা নিদৰ্শন দেখা যায় আৰু পৃথিৱীত এটা উজ্জ্বল মিনাৰ তথা বহুত বগা আৰু সেই ঐশ্বৰিক পোহৰ মিনাৰত আহি পৰে, আৰু তাৰ পিছত সেই মিনাৰখনে সমগ্ৰ পৃথিৱীখনক আলোকিত কৰে। এই চুটি বাক্যটোৰ ব্যাখ্যাৰ প্ৰয়োজন আৰু ব্যাখ্যাটো হ'ল যে যদিও সৰ্বশক্তিমান খোদা তা'লাৰ আধ্যাত্মিক শৃংখলটো ভৌতিক শৃংখলৰ অনুকূল, কিন্তু কিছুমান বিষয়ত সেই অদ্ভুত গুণবোৰ ইয়াত পোৱা যায় যিবোৰ ভৌতিক শৃংখলত মুকলিকৈ দেখা নাযায় ইয়াৰ উপৰিও যেতিয়া নিম্ন আকৰ্ষণে কাম কৰিবলৈ আৰম্ভ কৰে, যদিও সেই আকৰ্ষণ ঐশ্বৰিক আকৰ্ষণৰ সম্পূৰ্ণ বিপৰীত, কিন্তু ঐশ্বৰিক আকৰ্ষণ এই আকৰ্ষণৰ শাৰীৰিক চাহিদাৰ পৰাই উদ্ভৱ হ'বলৈ আৰম্ভ কৰে, গতিকে এই আকৰ্ষণসমূহ অত্যন্ত শক্তিশালী হোৱাটো যুক্তিসংগত; আৰু উভয়ৰ মাজত সংঘৰ্ষ হোৱাটো আৱশ্যকৰণীয় আছিল, কাৰণ ঐশ্বৰিক পোহৰে বিচাৰে বিৰোধীক অন্ত পেলোৱাটো। গতিকে যি সময় আৰু সুযোগত সেই ৰাজপ্ৰসাদ পক্ষসমূহৰ সমান সৌভাগ্য আৰু সমৃদ্ধি হ'ব, তেনে দুটা দলে যুদ্ধ নকৰাকৈ জীয়াই থাকিব নোৱাৰে কাৰণ প্ৰত্যেকৰ সন্দৰ্ভত ভৱিষ্যদ্বাণী হিচাপে খোদা তা'লাৰ নবী সকলৰ কিতাপত বৰ্ণনা কৰা হৈছে। এনে সাধাৰণ জ্ঞানেও ইয়াক প্ৰয়োজনীয় বুলি বিবেচনা কৰে। কাৰণ যেতিয়া দুটা বিৰোধীৰ মাজত প্ৰবল আকৰ্ষণৰ সৈতে সংঘৰ্ষ হয়, তেতিয়া এটাই আনটোক ধ্বংস কৰাটো প্ৰয়োজনীয় কৰি তুলে বা দুয়োৰে অন্ত হৈ যোৱাটো প্ৰয়োজনীয় হৈ পৰে আৰু এই যুদ্ধৰ বিষয়ে নবীসকলৰ কিতাপত এই দৰে বৰ্ণনা কৰা হৈছে যে যেতিয়া হজৰত মছীহ (আঃ)ৰ পৰা পৰিপূৰ্ণ এক হাজাৰ বছৰ পাৰ হৈ গৈছিল যেতিয়া নবীসকলৰ ভৱিষ্যদ্বাণী অনুসৰি চয়তানক বন্দী কৰা হৈছিল তেতিয়া নিম্ন আকৰ্ষণে পৃথিৱীখনক নিজৰ ৰূপ জন্মাবলৈ আৰম্ভ কৰিছিল। এইটো সেই যুগ আছিল যেতিয়া ইছলামৰ পৱিত্ৰ নীতিৰ ক্ষেত্ৰত অৱনতি

ঘটিছিল আৰু ইয়াৰ আধ্যাত্মিক অগ্ৰগতি বন্ধ হৈছিল আৰু ইয়াৰ বাহ্যিক বিজয়ৰো অন্ত পৰিছিল আৰু ইয়াৰ জন্ম হৈছিল চয়তান কাৰাগাৰত থকা দিনবোৰত। নিশ্চয় তেনেকুৱাই হোৱাটো অৱশ্যই জৰুৰী আছিল, যেনেকৈ সকলো নবীসকলে ইউহান্না ধাৰ্মিক বিধানলৈকে সাক্ষ্য দিছে আৰু যেতিয়া চয়তানক মুকলি কৰি দিয়া অৰ্থাৎ ১০০০ খ্ৰীষ্টাব্দৰ পিছত ইয়াৰ অৱনতি আৰম্ভ হ'ল আৰু আগবাঢ়িবলৈ বাধা জন্মিলে, তেতিয়াৰ পৰা চয়তানৰ কাৰু-কাৰ্যবোৰ ৰঙীন আৰ্হিত আৰম্ভ হয় আৰু পৃথিৱীত এনে পুলি গজি উঠিল যে ইয়াৰ কিছুমান শাখা পূব দিশলৈ বিয়পি পৰিল আৰু কিছুমান পশ্চিমৰ অধিক জনসংখ্যাৰ মাজৰ বিস্তাৰ লাভ কৰিলে আৰু কিছু দক্ষিণ দিশলৈ আৰু কিছু উত্তৰ দিশৰ ফালে বিয়পি পৰিলে, যিদৰে চয়তানৰ কাৰাগাৰত থকাৰ সময়সীমা হাজাৰ বছৰ আছিল,যাক বাহ্যিক পৰিঘটনাবোৰে সাক্ষ্য দিয়ে এনেকুৱাই নবীসকলৰ ভৱিষ্যদ্বাণীৰ দৃষ্টিত চয়তান মুক্তি পোৱাৰ সময়ও হাজাৰ বছৰ আছিল যিটো প্ৰব্ৰজনৰ চৌধ্য শতিকাৰ শিৰোভাগত সম্পূৰ্ণ হয়। কিন্তু হাজাৰ বছৰ খোদা তা'লাৰ হিচাপ অনুসৰি অৰ্থাৎ চন্দ্ৰ অনুসৰি আৰু খোদা তা'লাৰ ফালৰ পৰা ইহুদী আৰু মুছলমানসকলক ভৱিষ্যদ্বাণীৰ সময় চিনাক্ত কৰিবলৈ এই হিচাপ শিকোৱা হৈছে, আৰু সূৰ্যৰ দিন অনুসৰি হিচাপ কৰাটো মানুহৰ উদ্ভাৱন যিটো পৱিত্ৰ শাস্ত্ৰৰ উদ্দেশ্যৰ বিপৰীত। গতিকে এই হিচাপ অনুসৰি চয়তানৰ অৱকাশৰ শেষ দিন এয়াই য'ত আমি আছো, বৰঞ্চ এইবোৰ ইতিমধ্যে পাৰ হৈ গৈছে বুলি ভাৱি লোৱা কাৰণ হিজৰী শতিকা, যাৰ মূৰত চয়তানৰ মুক্তিৰ হাজাৰ বছৰ সম্পূৰ্ণ হৈ গৈছে। ঊনৈশ বছৰ হ'ল আৰু চয়তানে নিবিচাৰে যে তেওঁৰ পৰা তেওঁৰ স্বাধীনতা আৰু চৰকাৰ কাঢ়ি লোৱা হওঁক। দুৰ্ভাগ্যজনক ভাৱে দুয়োটা শক্তিৰ মাজত যুঁজ হ'ব যিটো আৰম্ভণিৰে পৰাই নিৰ্ধাৰিত আছিল আৰু খোদা তা'লাৰ বাক্য ভুল হোৱাটো অসম্ভৱ; আৰু এই দিনবোৰৰ

বিষয়ে আন এটা সাক্ষ্য হ'ল যে জগতৰ আৰম্ভণিৰ পৰা অর্থাৎ আদমৰ আবির্ভাৱৰ পৰা আনকি ষষ্ঠ হাজাৰো পাৰ হৈ গ'ল, য'ত দ্বিতীয় আদমৰ জন্ম হ'ব লাগিছিল। কাৰণ ষষ্ঠ দিনটো আদমৰ জন্মৰ দিন আৰু খোদা তা'লাৰ পৱিত্ৰ পুস্তক অনুসৰি হাজাৰ বছৰ এটা দিনৰ সমান। গতিকে এই বিষয়টো খোদা তা'লাৰ পৱিত্ৰ প্ৰতিজ্ঞাৰ পৰা বিশ্বাস কৰিব লাগিব যে সেই আদমৰ জন্ম হৈছে যদিও তেওঁক এতিয়াও নিখুঁতভাৱে চিনাক্ত কৰা হোৱা নাই, আৰু একে সময়তে আমি বিশ্বাস কৰিব লাগিব যে খোদা তা'লাৰ হাতেৰে নির্ণায়ক কৰা আদমৰ এই অৱস্থান পূবৰ, পশ্চিমীয়া নহয়, কাৰণ পেইদাইশ অধ্যায় ২ আয়াত ৮ ৰ পৰা প্ৰমাণিত যে আদমক পূব দিশৰ এখন বাগিচাত ঠাই দিয়া হৈছিল, গতিকে এই আদমও পূবৰ দেশত আবির্ভূত হোৱাটো নিশ্চিত আছিল; যাতে প্ৰথম আৰু শেষৰ সাদৃশ্য প্রতিষ্ঠিত থাকে; আৰু যেনেকৈ মুছলমানসকলৰ কোনো বিকল্প নাই, খ্ৰীষ্টানসকলৰো এই স্বীকাৰোক্তিৰ পৰা কোনো পলায়ন নাই, যদিহে নাস্তিকতাৰ শিৰাই ইয়াক বাধা নিদিয়ে। গতিকে প্ৰকৃত সত্য বুজিবলৈ কোনো অসুবিধা অৱশিষ্ট নাথাকিল আৰু এই সমস্যাটো অতি স্পষ্ট যে এই যুগ পোহৰ আৰু আন্ধাৰৰ মাজত সংঘর্ষৰ যুগ আৰু আন্ধাৰে চৰম সীমালৈ নিজৰ কাম কৰি গৈছে, এই আশা কৰিব পৰা নাযায় যে ঐশ্বৰিক পোহৰ অবিহনে এই অন্ধকাৰৰ ওপৰত বিজয় লাভ কৰিব পৰা যাব; আৰু ইয়াত কোনো সন্দেহ নাই যে আন্ধাৰ পূর্ণ গতিত চলি আছে আৰু ঈমানৰ মৃদু প্ৰদীপটো নির্বাপিত হ'বলৈ ওলাইছে আৰু আনুষ্ঠানিক বিশ্বাস আৰু প্ৰথামূলক জ্ঞান আৰু প্ৰথামূলক প্রার্থনাই হেৰাই যোৱা পোহৰ পুনৰুদ্ধাৰ কৰিব নোৱাৰে; অন্ধই অন্ধক পথ প্রদর্শন কৰিব পাৰেনে ? কোনো প্ৰকাৰেই নহয়! আন্ধাৰে আন্ধাৰ আঁতৰাব পাৰেনে ? কোনো ভাৱেই নহয়। এতিয়া এটা আধুনিক মিনাৰৰ প্ৰয়োজন আছে যিটো পৃথিৱীত প্ৰস্তুত কৰা হৈছে যিটো নিম্ন

জনসংখ্যাৰ পৰা পাৰ্থক্য  কৰি উচ্চ স্তৰত উপনীত হ'ব, যাতে ইয়াৰ ওপৰত ঐশ্বৰিক পোহৰ অৱতৰণ কৰি তাৰ ওপৰত ঐশ্বৰিক প্ৰদীপ ৰাখিব পাৰে যাতে সমগ্ৰ পৃথিৱীখন এই পোহৰেৰে আলোকিত হয়। যদি এই দীপটো ওখ ঠাইত ৰখা নহয় তেন্তে ইয়াৰ পোহৰ কেনেকৈ দূৰ-দূৰলৈ বিয়পিব ? এতিয়া  আপোনাৰ এয়া বুজা বাকী আছে যে মিনাৰ কি বস্তু ?, গতিকে মনত ৰাখিব, মিনাৰ হৈছে সেই পৱিত্ৰ প্ৰবৃত্তি, নিৰ্মল আৰু উচ্চ সাহসৰ নাম যিটো এজন সিদ্ধ মানুহে পায়, যিজন ঐশ্বৰিক পোহৰ লাভৰ যোগ্য, যেনেকৈ মিনাৰৰ মৰ্যদাত এই অৰ্থ অন্তৰ্ভুক্ত; আৰু মিনাৰৰ উচ্চতাই সেই ব্যক্তিজনৰ উচ্চ সাহসক বুজায় আৰু মিনাৰৰ শক্তিশালীয়ে সেই ব্যক্তিজনৰ অটলতাক বুজায়, যিটো তেওঁ বিভিন্ন পৰীক্ষাৰ সময়ত দেখুৱায় আৰু তেওঁৰ বগা আৰু নিৰ্দোষতাক বুজায়, যিটো শেষত স্পষ্ট হৈ পৰে। যেতিয়া এই সকলোবোৰ হৈ যায় অৰ্থাৎ যেতিয়া তেওঁৰ মহান সাহস, নিখুঁত অধ্যৱসায়, নিখুঁত ধৈৰ্য, দৃঢ়তা আৰু যুক্তিয়ে তেওঁৰ দোষমুক্ত হোৱাটো জিলিকি থকা মিনাৰৰ দৰে মুকলি হয়; তেতিয়া তেওঁৰ গৌৰৱময় আগমনৰ সময় আহি পৰে আৰু প্ৰথম আগমনৰ পৰীক্ষা-নিৰীক্ষাৰ সময় শেষ হৈ যায়। তেতিয়া সেই আধ্যাত্মিকতা ঐশ্বৰিক মহিমাৰ দ্বাৰা ৰঙীন হৈ সেই অস্তিত্বৰ ওপৰত নামি আহে যিটো মিনাৰৰ ৰূপত থিয় দি আছে; তেতিয়া খোদা তা'লাৰ আদেশত খোদা তা'লাৰ প্ৰভাৱ তেওঁৰ ওপৰত সৃষ্টি হয়, এই সকলোবোৰ দ্বিতীয় আগমনত ঘটে; আৰু  মছীহ মাওউদৰ বিশেষ আগমন এই বাস্তৱতাৰ এক নিখুঁত ছবি আৰু মুছলমান সকলৰ মাজত এই বৰ্ণনা আছে যে মছীহ মিনাৰৰ কাষত নামিব। অৱনমিত হোৱাটোৱে নিজৰ লগত ঈশ্বৰত্বৰ ৰং কঢ়িয়াই নিয়া এক গৌৰৱময় ৰূপৰ আগমনক বুজায়। তাৰ আগতে তেওঁ যে পৃথিৱীত উপস্থিত নাছিল এনে নহয়, কিন্তু নিশ্চয় আকাশে তেওঁক গ্ৰহণ কৰি ললে খোদা তা'লাৰ নিৰ্ধাৰণ কৰা সময় অহাৰ

পিছত। খোদা তা'লাৰ অভ্যাসৰ এটা অংশ এয়া যে সেইজনাই আধ্যাত্মিক বিষয়বোৰ হৃদয়ত স্থান দিবলৈ তেওঁলোকৰ কোনো অংশৰ ভৌতিক প্ৰতিচ্ছবি সৃষ্টি কৰি দিয়ে, যেনে বায়তুল মুকাদছৰ হায়কল আৰু পৱিত্ৰ মক্কাৰ কাবা এই দুয়োটা ছবি আধ্যাত্মিক পৱিত্ৰতাৰ প্ৰকাশস্থল। এই আধাৰত ইছলামী বিধানমতে এয়া বুজা যায় যে মছীহ্ মাওউদ মিনাৰৰ ওপৰত বা তাৰ কাষতে অৱতীৰ্ণ হ'ব। এনেকুৱা এটা দেশ যিটো দামাস্কৰ পূব দিশত অৱস্থিত। যেনেকৈ আদমকো পূব দিশত স্থান দিয়া হৈছিল। এই প্ৰতাপপূৰ্ণ আগমনৰ আগে আগে বাহ্যিক মিনাৰ নিৰ্মাণ কৰাত কোনো দোষ নাই যদিও এই আগমনৰ আগতেই নিৰ্মাণ হ'বলগীয়া প্ৰতিজ্ঞাত মছীহ্ মাওউদৰ গৌৰৱময় আগমনৰ চিন হ'ব বুলি হাদীছত ইয়াৰ ভৱিষ্যদ্বাণী হিচাপে উল্লেখ কৰা হৈছে। এয়া নিৰ্ধাৰিত যে মছীহ মাওউদ দুই ধৰণৰ পৰিস্থিতিত আগমন কৰিব। প্ৰথমতে সামান্যভাৱে, যিটো বিভিন্ন ধৰণৰ পৰীক্ষা আৰু বিপদাৱলীৰে পৰিপূৰ্ণ, নানা প্ৰকাৰৰ দুখ-কষ্টৰ সময়ত। যেতিয়া এই দিনবোৰ সম্পূৰ্ণ হ'ব তেতিয়া গৌৰৱময় আগমনৰ সময় আহিব আৰু তাৰ আগতে এটা মিনাৰ প্ৰস্তুত কৰাটো প্ৰয়োজনীয়, কিয়নো হাদীছৰ পৰা প্ৰমাণ পোৱা যায় যে এই সত্যটো দেখুৱাবলৈ বাহ্যিক মিনাৰ হ'ব যিটো আধ্যাত্মিক মিনাৰৰ প্ৰতীক হ'ব। তেওঁৰ প্ৰতাপপূৰ্ণ আগমনৰ আগতে জগতখনে তেওঁক চিনি নাপায় কাৰণ তেওঁ জগতৰ নহয় আৰু জগতখনে তেওঁক ভাল নাপায় কাৰণ তেওঁ যি খোদা তা'লাৰ পৰা আহিছে সেই খোদা তা'লাৰ সৈতেও জগতৰ ভাল পোৱা নাই। গতিকে ভৱিষ্যতে তেওঁক অত্যাচাৰ আৰু কষ্টৰ সন্মুখীন কৰা হ'ব আৰু তেওঁৰ ওপৰত সকলো ধৰণৰ অভিযোগ উত্থাপন কৰা হ'ব, যিদৰে ইছলামিক ভৱিষ্যদ্বাণীত লিখা আছে যে প্ৰতিশ্ৰুত মছীহ্ মাওউদক আৰম্ভণিতে গ্ৰহণ কৰা নহ'ব আৰু অজ্ঞ লোক সকলৰ হিংসা বৃদ্ধি পাব আৰু দুষ্টামি চৰম সীমাত উপনীত হ'ব; আনকি এজনে

তেওঁক নিষ্ঠুৰভাৱে আক্ৰমণ কৰি ভাল কাম কৰা বুলি ভাবিব আৰু আনজনে দুখ কষ্ট দি ভাবিব যে তেওঁ নিজৰ কৰ্মৰ দ্বাৰা খোদা তা'লাক সন্তুষ্ট কৰিছে। এইদৰে চলি থাকিব আৰু তেওঁৰ ওপৰত প্ৰত্যেক ধৰণৰ ভূমিকম্প আহিব আৰু তেওঁৰ ওপৰত আল্লাহৰ বিধান পূৰণ নোহোৱালৈকে প্ৰত্যেক ধৰণৰ বিপদ আহিব। তেতিয়া তেওঁৰ গৌৰৱময় আগমনৰ সময় আহিব আৰু অধ্যৱসায়ী হৃদয়ৰ চকু মেলিব আৰু তেওঁলোকে স্বয়ংক্ৰিয়ভাৱে ভাবিবলৈ আৰম্ভ কৰিব যে এইটো কি কথা আৰু কেনেধৰণৰ মিছা যিটো পৰাজিত নহয় আৰু খোদা তা'লাৰ সমৰ্থন কিয় তেওঁৰ লগত আছে আৰু আমাৰ লগত নাই। তেতিয়া খোদা তা'লাৰ এজন ফিৰিস্তা তেওঁলোকৰ হৃদয়ত নামি আহি তেওঁলোকক বুজাব যে তোমালোকৰ হাদীছ আৰু পৰম্পৰাৰ ভৱিষ্যদ্বাণীবোৰ পূৰ্ণ হোৱাটো কি অৱশ্যই প্ৰয়োজনীয়, যিবোৰ তোমালোকৰ প্ৰতিবন্ধকতাৰ কাৰণ হৈ আছে ? এইসমূহৰ মাজত কিছুমান সাজি উলিওৱা আৰু কিছুমানত ভুল-ত্ৰুটি থকাটো কি সম্ভৱ নহয় নে ? কিছুমান ভৱিষ্যদ্বাণী উপমাৰ ৰূপত পূৰণ কৰাটো অনুমোদিত নহয় নেকি ? আৰু ইহুদীসকলৰ দুৰ্ভাগ্য আৰু অবিশ্বাসৰ বাহিৰে আন কোনো কাৰণ আছিল নে যে তেওঁলোকে সকলো কথা বাহ্যিক ৰূপত পূৰ্ণ হ'বলৈ আৰু সকলো কথা তেওঁলোকৰ চিন্তা অনুসৰি হ'বলৈ অপেক্ষা কৰি থাকিব ? কিন্তু সেয়া নহ'ল। গতিকে, যিহেতু একেজন খোদা এতিয়াও আছে আৰু একেই সেইজনাৰ বিধান, তেন্তে তোমাৰ লগতো একেই পৰীক্ষা হোৱাটো কিয় বৈধ নহয় ? গতিকে প্ৰাচীনৰ পৰা যিদৰে ঘটি আহিছে তেনেকৈয়ে স্বাভাৱিকতে শেষত মানুহৰ হৃদয় এই ধাৰণাবোৰৰ ফালে ঘূৰি যাব, কিন্তু এই কথা ঠিক নহয় যে সত্য ধৰ্ম আৰু ন্যায়পৰায়ণতা বিস্তাৰৰ বাবে বাহ্যিক যুদ্ধৰ প্ৰয়োজন; কিয়নো তৰোৱালে সত্যৰ সাৰমৰ্ম প্ৰকাশ কৰিব নোৱাৰে, কিন্তু সেইবোৰক আৰু অধিক লুকুৱাই ৰাখে আৰু সন্দেহযুক্ত কৰি তুলে।

এইধৰণৰ ধাৰণা যিসকলে পোষণ কৰে তেওঁলোক ইছলামৰ বন্ধু নহয় বৰং শত্ৰু। তেওঁলোকৰ স্বভাৱ অতি নীচ আৰু ঘৃণিত, তেওঁলোক কাপুৰুষ আৰু সংকীৰ্ণমনা, তেওঁলোকৰ মস্তিষ্ক নিস্তেজ আৰু প্ৰকৃতি অন্ধকাৰময়; কাৰণ তেওঁলোকে প্ৰতিপক্ষক এটা আপত্তিৰ সুযোগ দিয়ে যে আচলতে আহিব পাৰে। কাৰণ তেওঁলোকৰ মতে ইছলামৰ বিকাশৰ বাবে জেহাদ অতি প্ৰয়োজন বুলি ভাৱে আৰু এইটো ইছলামৰ উপহাসৰ কাৰণ; যিটো ধৰ্মৰ যুক্তিযুক্ত যুক্তিৰে বা আন যিকোনো ধৰণৰ স্পষ্ট প্ৰমাণ বা ঐশ্বৰিক নিদৰ্শনৰে নিজৰ সত্যতা সহজে প্ৰমাণ কৰাৰ ক্ষমতা আছে; সেই ধৰ্মই বলপূৰ্বক আৰু তৰোৱালৰ ভাবুকি দি নিজৰ সত্য স্বীকাৰ কৰাৰ বাবে প্ৰয়োজনীয় নহয়। যদি কোনো ধৰ্মৰ এই ব্যক্তিগত বৈশিষ্ট্য নাথাকে আৰু তাৰ দুৰ্বলতা তৰোৱালেৰে প্ৰতিকাৰ কৰে, তেন্তে এনে ধৰ্ম মিছা হোৱাৰ বাবে আন কোনো দলিল প্ৰমাণৰ আৱশ্যক নাথাকে, তেওঁৰ তৰোৱালখনে তেওঁক কাটি পেলাবলৈ যথেষ্ট।

কিন্তু এই আপত্তি যে যদি এতিয়া জেহাদ জায়েজ নহয়, তেন্তে ইছলমাৰ প্ৰথম যুগত কিয় তৰোৱাল ধাৰণ কৰা হৈছিল ? অজ্ঞানতাৰ বাবে উদ্ভৱ হোৱা প্ৰতিবাদকাৰীৰ এই দোষ আছিল ? তেওঁলোকে নাজানে যে ইছলামে জোৰ-জবৰদস্তিৰে ধৰ্ম প্ৰচাৰ কৰিবলৈ নিদিয়ে। চাওক কোৰআনত কেনেধৰণৰ নিষেধাজ্ঞা আছে,

لَآ اِكْرَاهَ فِي الدِّيْنِ (2:257)

অৰ্থাৎ ধৰ্মৰ ক্ষেত্ৰত বল প্ৰয়োগ কৰিব নোৱাৰে। তেন্তে তৰোৱাল কিয় ধাৰণ কৰা হ’ল ? আচল সত্যটো হ’ল যে আৰবৰ বৰ্বৰসকলৰ মাজত কোনো প্ৰভেদ আৰু সভ্যতা বাকী নাছিল, তেওঁলোকে ইছলাম আৰু মুছলমানৰ তীব্ৰ শত্ৰু হৈ পৰিছিল আৰু তেওঁলোকে একেশ্বৰবাদ আৰু ইছলামৰ সততা মুকলি ভাৱে সিহঁতৰ সন্মুখত স্পষ্ট হৈ পৰিছিল, তেতিয়া

তেওঁলোকৰ মস্তিষ্কত এই কথা বহি গৈছিল যে মানুহ হিচাপে পাথৰ পূজা কৰাটো এটা স্পষ্ট ভুল আৰু মানৱতাৰ বিৰোধ। গতিকে তেওঁলোকে এই যুক্তিযুক্ত কথাবোৰৰ উত্তৰ দিব নোৱাৰিলে আৰু সিহঁতে উত্তৰহীন হোৱাৰ বাবে বুদ্ধিমান লোক সকলে ইছলামৰ ফালে আকৰ্ষিত হয়, আৰু ভাতৃৰ ভাতৃ আৰু পিতৃৰ পৰা পুত্ৰ পৃথক হৈ যায়; তেতিয়া সিহঁতৰ মিছা ধৰ্মক বচোৱাৰ বাবে সকলো ধৰণৰ ষড়যন্ত্ৰ আৰম্ভ কৰিলে যে কঠোৰৰ পৰা কঠোৰ শাস্তি দি মুছলমান হোৱাৰ পৰা বাধা দিয়া হওঁক। এই প্ৰক্ৰিয়াটো মক্কাত আৰম্ভ কৰিছিল আবু জেহেল আদিৰ দৰে মক্কাৰ সম্ভ্ৰান্ত লোকসকলে। ইছলামৰ আদিম যুগৰ ইতিহাস অধ্যয়ন কৰা সকলে ভালদৰেই জানে যে মক্কাত বিৰোধী সকলে এনে নিষ্ঠুৰতাৰ আচৰণ কৰিছিল যে কিমান নিৰীহ লোক সকলক নিৰ্মমভাৱে হত্যা কৰিছিল; তথাপি মানুহে মুছলমান হোৱাৰ পৰা বিৰত থকা নাছিল; কাৰণ ডাঠ মন থকা প্ৰতিজন ব্যক্তিয়ে জানিছিল যে মূৰ্তিপূজাৰ তুলনাত ইছলাম কিমান যুক্তিবাদী আৰু পৰিষ্কাৰ। যেতিয়া সিহঁতে নিজৰ পৰিকল্পনাত সফল হ'ব নোৱাৰিলে তেতিয়া ষড়যন্ত্ৰ কৰিলে যে আঁহজৰত (ছাঃ)ক হত্যা কৰা হওঁক। কিন্তু খোদা তা'লাই তেখেতক সুৰক্ষিত ৰাখি মদিনা লৈ যায়; তথাপি সিহঁতে তেখেতক হত্যা কৰিবলৈ পৰিকল্পনা কৰিলে; কোনো কাৰণতেই সিহঁত নিজৰ অভ্যাস ত্যাগ নকৰিলে। এনে পৰ্যায়ত ইছলামৰ বাবে এই কাৰ্যৰ বাহিৰে আন কোনো বিকল্প নাছিল যে মুছলমান সকলে সিহঁতৰ আক্ৰমণৰ বাধা দিব আৰু আক্ৰমণকাৰীক শাস্তি দিয়া যাওঁক। ইছলামৰ যুদ্ধ ধৰ্ম বিস্তাৰ লাভ কৰাৰ বাবে নাছিল, বৰং মুছলমান সকলৰ প্ৰাণ ৰক্ষাৰ বাবে আছিল। কোনো বিবেকবানে এয়া স্বীকাৰ কৰিব নে যে ইছলাম বৰ্বৰ মূৰ্তিপূজাৰ আগতও নিজৰ একতাবাদীক প্ৰমাণ কৰিবলৈ সক্ষম হোৱা নাছিল; আৰু কোনো বুদ্ধিমান ব্যক্তিয়ে বিশ্বাস কৰিব পাৰে নে যে মুশৰিক লোক শিল আৰু মূৰ্তিক পূজা কৰিছিল আৰু

বিভিন্ন ধৰণৰ অশুদ্ধিত লিপ্ত হৈছিল ইছলাম সিহঁতৰ আগত দলিল প্ৰমাণ দিবলৈ অক্ষম আছিল আৰু তৰোৱালেৰে কাম কৰিব বিচাৰিছিল ? খোদাৰ কৃপাত এই ধাৰণাবোৰ শুদ্ধ নহয় আৰু যিসকলে ইছলামৰ ওপৰত এনে আপত্তি উত্থাপন কৰিছে তেওঁলোকে সম্পূৰ্ণ অত্যাচাৰৰ জৰিয়তে সত্য লুকুৱাই ৰাখিছে।

হয় এয়া বাস্তৱ যে সেই অত্যাচাৰৰ পৰা যিদৰে মৌলবী সকলে অংশ গ্ৰহণ কৰিছিল; পুৰোহিত সকলেও তেওঁলোকৰ তুলনাত কম অংশ লোৱা নাছিল আৰু ইছলামৰ প্ৰতি সকলো ধৰণৰ আপত্তি কৰি তেওঁলোকে অজ্ঞান মৌলবী সকলৰ কথা ৰাইজৰ মনত কঠিন কৰি তুলিছিল আৰু তেওঁলোকে নিজকে প্ৰতাৰিত অনুভৱ কৰিছিল যে যি পৰিস্থিতিত আমাৰ মৌলবী সকলে জেহাদৰ বাবে ফতোৱা দিয়ে আৰু পুৰোহিত সকলেও একে আপত্তি উত্থাপন কৰে যিয়ে প্ৰমাণ কৰে যে আমাৰ ধৰ্মত জেহাদ বৈধ। এয়া কিমান নিষ্ঠুৰতা আছিল যে এই আপত্তি দুটা বেলেগ বেলেগ সাক্ষ্যৰে ইছলামৰ বিৰুদ্ধে উত্থাপন কৰা হৈছিল। যদি পুৰোহিত সকলে এনে পদ্ধতি গ্ৰহণ নকৰিলে হয় আৰু সৎ ভাৱে সত্য অনুসৰণ কৰি কলেহেঁতেন যে এই মৌলবী সকলে অজ্ঞানতা আৰু অজ্ঞতাৰ ফতোৱা দিয়ে; অন্যথা ইছলামৰ আৰম্ভণিতে এই প্ৰয়োজনীয়তা সৃষ্টি কৰা পৰিস্থিতি এই যুগত নাই, তেতিয়া আশ্বাস কৰিব পৰা গ'লহেঁতেন যে জেহাদৰ ধাৰণাটো পৃথিৱীৰ পৰা নাইকিয়া হৈ পৰিছে; উৎসাহ বেছি আছিল আৰু বুজাবুজি কম আছিল সেই কাৰণে বাস্তৱটো বুজি নাপালে।

হয়, এইটো সঁচা যে বহু দুৰ্নীতিপৰায়ণ কাৰ্য্যৰ অন্তত যেতিয়া আৰবৰ লোকসকলে নিৰ্দোষ লোক সকলৰ ৰক্তপাত ঘটালে তেতিয়া সৰ্বশক্তিমান খোদা তা'লাৰ দৃষ্টিত সিহঁত হত্যাৰ যোগ্য হৈ পৰিল, তেতিয়াই এই আদেশ জাৰি হ'ল যে তেওঁলোক সকলোৰে হত্যাৰ যোগ্য। কিন্তু যিসকলে বিশ্বাস

স্থাপন কৰিছিল সিহঁতক হত্যাৰ শাস্তিৰ পৰা ক্ষমা কৰি দিয়া হৈছিল। সম্ভৱতঃ এই আদেশৰ দ্বাৰা স্বল্প বুদ্ধিমান লোক সকলে বুজাবুজিত প্ৰৱঞ্চনাত পৰিছে, তেওঁলোকে নাজানে যে এইটো জোৰ-জবৰদস্তিৰ পদ্ধতি নহয়, বৰঞ্চ হত্যাৰ যোগ্য হৈ পৰিছিল, ইয়াক জোৰ-জবৰদস্তি বুলি ভবাটো মূৰ্খামি। সেই লোকসকল হত্যাকাৰী হোৱাৰ বাবেই হত্যাৰ যোগ্য আছিল; কাফিৰ হোৱাৰ বাবে নহয়, আৰু পৰম দয়ালু খোদা তা'লাই ভালদৰেই জানিছিল যে তেওঁলোকে ইছলামৰ সত্যতা বুজি পাইছে, ইয়াৰ উপৰিও এই কথাও প্ৰমাণিত হ'ল যে ইছলামৰ কোনো উদ্দেশ্য নাছিল কাকো হত্যা কৰা, বৰঞ্চ ই তেওঁলোকৰ ৰক্তপাতৰ বাবে হত্যাৰ যোগ্যসকলকো ক্ষমাৰ এটা সুযোগ দিয়া হওঁক। ইয়াৰ পৰা এইটো প্ৰমাণিত হয় যে ইছলামৰ কেতিয়াও এই ইচ্ছা নাছিল যে কাৰোবাক হত্যা কৰা হওঁক; বৰং যিসকল লোকে ৰক্তপাত ঘটোৱাৰ কাৰণে হত্যাৰ যোগ্য আছিল, সিহঁতৰ বাবে ইছলামে ক্ষমাৰ এটা উপায় উলিয়াই দিলে। সেই যুগত ইছলামে এই অসুবিধাৰ সন্মুখীন হৈছিল যে প্ৰতিটো জাতিত পক্ষপাতিত্ব ইমানেই বৃদ্ধি পাইছিল যে যিকোনো জাতিৰ কোনো দুখীয়া মানুহ যদি মুছলমান হৈছিল তেতিয়া তেওঁক হত্যা কৰা হৈছিল আৰু তেওঁৰ জীৱন গুৰুতৰ বিপদত পৰিছিল আৰু তেওঁৰ জীৱনত অনেক বিপদ আহিছিল। গতিকে এই ক্ষেত্ৰত ইছলামে শান্তি স্থাপনৰ বাবে যুঁজিবলগীয়া হৈছিল আৰু এই দুটা পৰিস্থিতিৰ বাহিৰেও ইছলামে পৰীক্ষাৰ সময়তেও কেতিয়াও যুদ্ধৰ নাম লোৱা নাছিল, আৰু ইছলামে কেতিয়াও ধৰ্মৰ স্বাৰ্থত যুঁজ দিয়া নাছিল, কিন্তু যুদ্ধ কৰাৰ বাবে অযথা এওঁলোকক বাধ্য কৰা হৈছিল। গতিকে যি সমূহ ঘটিছিল, নিজৰ অধিকাৰ সংৰক্ষণ আৰু আত্মৰক্ষাৰ বাবে সেয়া কৰিছিল। তাৰ পিছত অজ্ঞান মৌলবীসকলে এই সমস্যাত ৰং যোগ কৰিলে আৰু এটা লজ্জাজনক বৰ্বৰতাক নিজৰ গৌৰৱ বুলি গণ্য কৰিলে, কিন্তু এইটো

ইছলামৰ দোষ নহয়, এইটো তেওঁলোকৰ নিজৰ বিবেক-বুদ্ধিৰ অপৰাধ যি মানুহৰ তেজ চতুষ্পদ জন্তুৰ তেজতকৈ কম মূল্য বুলি ভাৱিলে। এতিয়ালৈকে তেজৰ ৰক্তপাত ঘটাই তৃপ্তি হোৱা নাই, বৰং এই কাৰণেই তেওঁলোকে এজন খুনী মেহদীৰ অপেক্ষাত আছে। সমগ্ৰ জাতিয়ে এই প্ৰমাণ দিয়া উচিত যে ইছলাম প্ৰচাৰৰ বাবে বল প্ৰয়োগ আৰু অত্যাচাৰৰ মুখাপেক্ষী আছিল নে ? ইয়াত সামান্যতম সত্যতাৰ বিন্দু মাত্ৰও নাই।

মই জানো যে বৰ্তমানৰ কিছুমান মৌলবীয়ে ইছলামৰ লগত যি অৱনতি ঘটাই আছে সিমানতেও ক্ষান্ত নহয়। তেওঁলোকে এনে বিশ্বাসৰ ওপৰত জোৰ দি ইছলামক আন এটা নিম্ন স্থানলৈ লৈ যাব বিচাৰে। কিন্তু নিশ্চয় বুজি লোৱা যে ইছলামক এনে নিন্দা আৰু অভিযোগৰ চিকাৰ হোৱাটো খোদা তা'লাই অনুমোদন নকৰে। অজ্ঞান বিৰোধীসকলৰ বাবে যথেষ্ট যে তেওঁলোকে নিজৰ ধাৰণাত আবদ্ধ হৈ আছে যে প্ৰাৰম্ভিক কালত আৰু পিছৰ সময়তো ইছলামে তৰোৱাল ব্যৱহাৰ কৰি নিজৰ জামাত বৃদ্ধি কৰি আহিছে। এতিয়া এই যুগ সেই সময় যে এই ভুলটো হৃদয়ৰ পৰা আঁতৰাই পেলোৱা উচিত আৰু ইয়াক অধিক শক্তিশালী কৰা উচিত নহয়। যদি ইছলামৰ মৌলবীসকলে বৰ্বৰ মুছলমান সকলৰ হৃদয়ৰ পৰা এই ভুল আঁতৰাই পেলাবলৈ জোৰ দিয়ে, তেন্তে তেওঁলোকে নিঃসন্দেহে জাতিটোৰ ওপৰত এক বৃহৎ উপকাৰ কৰিব আৰু কেৱল সেয়াই নহয়, তেওঁলোকৰ জৰিয়তে ইছলামৰ গুণৰ গধুৰ শিপাও ৰাইজৰ আগত প্ৰকাশ পাব আৰু তেওঁলোকৰ ভুলৰ বাবে ইছলামৰ বিৰুদ্ধে যি অভিযোগ উত্থাপন হৈ আছে সেইবোৰ নাইকিয়া হ'ব, তেতিয়া তেওঁলোকৰ চকু পৰিষ্কাৰ হ'ব আৰু তেওঁলোকে এই পোহৰৰ উৎসৰ পৰা অতি সোনকালে উপকৃত হ'ব পাৰিব। এয়া স্পষ্ট যে এজন ৰক্তপাত ঘটোৱা মানুহৰ ওচৰলৈ কোনেও আহিব নোৱাৰে। সকলোৱে তেওঁক ভয় কৰিব বিশেষকৈ তেওঁক দেখি

শিশু-মহিলা কঁপি উঠিব, কাৰণ তেওঁ পাগলৰ নিচিনা; আৰু অধৰ্মৰ বিৰোধী এজনেও ৰাতি তাৰ লগত থাকিবলৈ ভয় কৰিব যে ৰাতি সাৰ পাই তেওঁক হত্যা যেন কৰি নেপেলায়; কাৰণ সীমা চেৰাই যোৱা কিছুমান মানুহে পুণ্য লাভৰ কথা ভাবি এতিয়ালৈকে অন্যায়ভাৱে নিৰীহ মানুহক হত্যা কৰি আছে আৰু ভাৱে যে আজি আমি এই কৰ্মৰ দ্বাৰা জান্নাত লাভ কৰিছোঁ আৰু এই কামক সকলোবোৰ অনুগ্ৰহৰ যোগ্য বুলি ভাৱি আছে। গতিকে কি লজ্জাজনক কথা যে অইন জাতি সকলৰ মুছলমানৰ ওচৰ-চুবুৰীয়াৰ পৰা নিৰাপদ উঠি গৈছে আৰু তেওঁলোকে কেতিয়াও নিজৰ হৃদয়ত প্ৰশান্তি লাভ কৰিব নোৱাৰে যে যদি সুযোগ পায় তেন্তে এই মুছলমান জাতিটোৱে আমাৰ সৈতে কিবা ভাল কাম কৰাৰ আশা নাৰাখে। মুছলমানৰ এই লুকাই থকা বিশ্বাস চাই অইন জাতিবোৰৰ হৃদয় কঁপি উঠে।

মই এনে এটা দৃশ্য দেখিছোঁ আৰু সেয়া এই যে ১৯০১ চনৰ ২০ নৱেম্বৰৰ ঘটনা যে কাদিয়ানত এজন ইংৰাজ আহিলে আৰু সেই সময়ত আমাৰ জামাতৰ মানুহবোৰ তাতে গোট খাই আছিল আৰু কিছু ধৰ্মীয় আলোচনা চলি আছিল তেতিয়া সি আহি এটা প্ৰান্তত থিয় হ'ল, তাৰ পিছত অতি ভদ্ৰভাৱে মাতি মোৰ কাষতে বহিবলৈ দিয়া হ'ল আৰু গম পোৱা গ'ল যে তেওঁ এজন ইংৰাজ পৰ্যটক আৰু আৰবৰ দেশসমূহও দেখি আহিছে আৰু আমাৰ জামাতৰ ফটো তুলিব বিচাৰে। গতিকে তেওঁক তেওঁৰ কামত সহায় কৰা হ'ল আৰু আৰামৰ বিষয় হিচাপে আমাৰ লগত কেইদিনমান থাকিবলৈ কোৱা হ'ল; কিন্তু দেখা গ'ল তেওঁ ভয় খাইছিল আৰু তেওঁ উল্লেখ কৰিছিল যে মই বহুতো মুছলমানক দেখিছো যিয়ে খ্ৰীষ্টানসকলক নিৰ্মম ভাৱে হত্যা কৰিছে। সেয়েহে তেওঁ বাগদাদৰ এনে কিছুমান কাহিনী বৰ্ণনা কৰিছিল য'ত এনেবোৰ ঘটনা অতি নিষ্ঠুৰতাৰে

সংঘটিত হৈছিল। তাৰ পিছত তেওঁক অতি মৃদুতাৰে আৰু সদয়তাৰে বুজাই দিয়া হ'ল যে এই জামাত যাক আহমদী সম্প্ৰদায় বুলি কোৱা হয়; এই সম্প্ৰদায়টোৱে এইধৰণৰ মতবাদৰ ঘোৰ বিৰোধী আৰু এইধৰণৰ লোক সকলক অতি ঘৃণাৰ দৃষ্টিৰে চায়; আৰু মানৱ অধিকাৰ সংৰক্ষণৰ ক্ষেত্ৰত এই জামাতে যি কৰিব লাগিব সেয়া হ'ল-ইছলামৰ পৰা এনে ধাৰণা নিৰ্মূল কৰা। তেতিয়া তেওঁৰ হৃদয় প্ৰশান্তি লাভ কৰিলে আৰু তেওঁ আনন্দেৰে আমাৰ লগত ৰাতি কটালে।

এই কাহিনী বৰ্ণনা কৰাৰ উদ্দেশ্য হ'ল যে মুছলমান সকলৰ এই ধাৰণা, যি সত্যৰ সম্পূৰ্ণ বিপৰীত, আন আন জাতি সকলৰ বাবে সেয়া বিশেষকৈ ক্ষতিৰ কাৰণ হৈ থিয় দিছে আৰু তেওঁলোকৰ মনত কু-ধাৰণা আৰু ঘৃণা সৃষ্টি হৈছে আৰু মুছলমান সকলৰ প্ৰকৃত সহানুভূতি সম্পৰ্কে তেওঁলোকৰ সু-ধাৰণা বহুখিনি হ্ৰাস পাইছে। যদি কিবা আছে, তেন্তে সেয়া হৈছে এনে লোকৰ প্ৰতি যিসকলে মৌলবীৰ জীৱন-যাপন নকৰে আৰু ইছলামিক নীতিসমূহ পালনৰ প্ৰতি অলপো গুৰুত্ব নিদিয়ে। গতিকে মুছলমান সকলৰ প্ৰতি ইমানে কু-ধাৰণা বৃদ্ধি পাইছে যে যিটো বৃদ্ধিৰ কাৰণ তেওঁলোক নিজেই দায়ী; তেন্তে ইয়াতোকৈ ডাঙৰ পাপ আৰু আছে নে যে এনে উলামা আৰু তেওঁলোকৰ অনুগামীসকলে ইছলামিক কল্যাণৰ পৰা এখন বিশ্বক বঞ্চিত কৰি ৰাখিছে ? এনেকুৱা ধৰ্ম খোদাৰ ফালৰ পৰা হ'ব পাৰে নে যিয়ে হৃদয়ৰ মাজত নিজৰ শিক্ষাক তৰোৱাল ধাৰণ কৰি বিস্তাৰ লাভ কৰে ? সেই ধৰ্ম সত্য যিটো লো-নিৰ্মিত তৰোৱালৰ মুখাপেক্ষী নহয়, নিজৰ গুণাৱলী, শক্তি আৰু অকাট্য দলিল-প্ৰমাণৰ দ্বাৰা তৰোৱালৰ কাম সমাধা কৰিবলৈ সক্ষম হয়।

এই দোষবোৰেই সদায় এজন সংস্কাৰকৰ চাহিদাক পূৰণ কৰিবলৈ দাবী কৰে। ইছলামৰ আভ্যন্তৰীণ অৱস্থাটো বিবেচনা কৰিলে এনে এক

ভয়ানক অৱস্থা দেখা যায় যে যেন সূৰ্যগ্ৰহণ লাগি তাৰ বহুখিনি অংশ আন্ধাৰ হৈ পৰিছে আৰু অলপখিনি বাকী আছে। মুছলমানৰ ব্যৱহাৰিক অৱস্থা কৰুণাৰ যোগ্য। কিছুমান হাদীছ এনেদৰে তৈয়াৰ কৰা হৈছে যে তেওঁলোকৰ নৈতিক অৱস্থাৰ ওপৰত বৰ বেয়া প্ৰভাৱ পেলায় আৰু খোদা তা'লাই নিৰ্ধাৰণ কৰা নিয়মৰ শত্ৰু। উদাহৰণস্বৰূপে খোদা তা'লাৰ বিধানে মানুহৰ বাবে তিনি ধৰণৰ অধিকাৰ প্ৰতিষ্ঠা কৰিছে। নিৰীহ মানুহক হত্যা নকৰিবা, আৰু কোনো অধিকাৰ নোহোৱাকৈ কাৰো সন্মান বিঘ্নিত কৰিব নালাগে আৰু কোনো অধিকাৰ নোহোৱাকৈ কাৰোবাৰ সম্পত্তি লুণ্ঠন কৰিব নালাগে। কিন্তু মই দেখিছোঁ যে কিছুমান মুছলমানে এই তিনি প্ৰকাৰ আজ্ঞা ভংগ কৰিছে। নিৰীহ এজনক হত্যা কৰাটো ভয় নকৰে। তেওঁলোকৰ মূৰ্খ মৌলবী সকলেও এনে ফতোৱা জাৰি কৰিছে যে তেওঁলোকক কাফিৰ আৰু অধৰ্মী বুলি কোৱা আন ধৰ্মৰ মহিলাসকলক কোনো ধৰণৰ কৌশলেৰে পটাব লাগে বা জব্দ কৰি তাৰ পিছত তাইক নিজৰ স্ত্ৰী বনাব লাগে; আৰু কাফিৰৰ ধন বিশ্বাসঘাতকতা আৰু চুৰিৰ দ্বাৰা লোৱা বৈধ হয়, ইয়াতে কোনো পাপ নাই। এতিয়া ভাবিব লাগে যে যি ধৰ্মত এনেকুৱা ধৰ্মীয় বিপৰ্যয় সৃষ্টি হৈ যায় য'ত ফতোৱা দিয়া এনে মৌলবীও আছে, সেই ধৰ্মৰ অৱস্থা কিমান যে বিপদজনক! স্বাৰ্থপৰ লোকে নিজৰ ফালৰ পৰা এই সকলোবোৰ ফতোৱা জাৰি কৰি খোদা তা'লা আৰু ৰছুলৰ ওপৰত মিছাৰোপ কৰিছে। এই সমস্ত পাপ যিবোৰ মূৰ্খ বনৰীয়াই কৰি আছে সকলোবোৰ তেওঁলোকৰ কান্ধত। তেওঁলোক ভেৰীয়া, কিন্তু ভেড়াৰৰ বেশত নিজকে প্ৰকাশ কৰে আৰু প্ৰতাৰণা কৰে, তেওঁলোক বিষ হয়, কিন্তু নিজকে উত্তম প্ৰতিষেধক হিচাপে দেখুৱায়, তেওঁলোক ইছলাম আৰু খোদা তা'লাৰ সৃষ্টিৰ প্ৰতি কঠোৰ বিদ্বেষপৰায়ণ আৰু তেওঁলোকৰ হৃদয় দয়া আৰু সহানুভূতিৰ পৰা শূন্য। কিন্তু নিজৰ প্ৰবৃত্তি লুকুৱাই ৰাখে, স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যত

তেওঁলোকে কপটাতাপূৰ্ণ ধৰ্মোপদেশ কৰি থাকে। ভক্তৰ বেশত সিহঁতে মছজিদত আহে কিন্তু দুষ্টকৰ্মৰ স্বভাৱ গোপন ৰাখে। এইটো কোনো বিশেষ দেশৰ অৱস্থা নহয়, কোনো চহৰৰ অৱস্থা নহয় আৰু কোনো বিশেষ সম্প্ৰদায়ৰ অৱস্থা নহয়, বৰং ইছলামী জগতত এটা দল আছে যিসকলক উলেমা বুলি কোৱা হয় আৰু মৌলবীৰ পোছাক পৰিধান কৰে। যিমান পাৰে নিজকে ধৰ্মপৰায়ণ লোক সকলৰ নিচিনা কৰিব বিচাৰে যাতে সিহঁতক নিষ্ঠাবান আৰু পৱিত্ৰ বুলি গণ্য কৰা হয়; কিন্তু সিহঁতৰ কৰ্মই সাক্ষ্য দিয়ে যে সিহঁত কোন আৰু কেনে ধৰণৰ মানুহ। সিহঁতে নিবিচাৰে যে পৃথিৱীত পৱিত্ৰতা আৰু প্ৰকৃত সহানুভূতি বিস্তাৰ লাভ হওঁক; কাৰণ ইয়াতে সিহঁতে নিজৰে ক্ষতি কৰে।

সেয়ে ইছলাম আজি বহু অসুবিধাৰ সন্মুখীন হৈছে। বেছিভাগ আত্মা মৃত আৰু তাতে ক্ষুদ্ৰ পৰিমাণৰ পুণ্যৰও গতি নাই। খোদাৰ প্ৰতি ভয় এইসকল লোকে সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিছে। তাৰ মাজত এটা দল আছে যিসকলে কবৰ পূজা কৰে আৰু খানা কাবাৰ নিচিনা তাতে প্ৰদিক্ষণ কৰে। নিজৰ গুৰুৰ আত্মাক এনেকুৱা সন্মানৰ অধিকাৰী বুলি ভাৱে যেন সকলোবোৰ খোদাৰ ফালৰ পৰা সিহঁতক (গুৰুসকলক) অনুমতি প্ৰদান কৰা হৈছে। বেছিভাগ আসনপ্ৰাপ্ত সকলক এনেকুৱা পাব যাৰ সৈতে কবৰও থাকে সিহঁতৰ অনুগামীসকলে সেইবোৰৰ পূজা কৰে, যদি কোনোবাই তেওঁলোকৰ পৰা অলৌকিকতা বিচাৰে তেতিয়া কবৰ সন্দৰ্ভত হাজাৰ হাজাৰ কথা শুনাই দিয়ে কিন্তু দলিল প্ৰমাণ এটাও নিদিয়ে। সিহঁতৰ দৃষ্টিত ইছলামৰ মূল হৈছে কবৰ পূজা; আন আন মুছলমান সকলক সিহঁতে পথভ্ৰষ্ট বুলি ভাৱে। এইটোৱেই হৈছে মুদ্ৰাস্ফীতিৰ পথ গ্ৰহণ কৰা দল। সিহঁতৰ তুলনাত আন এটা দল আছে যিসকলে অস্বীকাৰ কৰাত সীমা চেৰাই গৈছে, সিহঁতৰ দৃষ্টিত নবী একোৱেই নহয়। তেওঁলোকে অলৌকিকতাক

অস্বীকাৰ কৰি হাঁহি হাঁহি উপহাস কৰে, আৰু ওহীৰ এই ব্যাখ্যা কৰে যে সেয়া লেখকৰ নিজৰ হৃদয়ৰ চিন্তা-ভাৱনা আৰু তেওঁৰ এই কামত অভিজ্ঞতা আছে বুলি কয়, এয়াও কয় যে সি যুক্তিবাদী প্ৰজ্ঞাৰ সীমাৰ পৰা বহু দূৰত,আৰু অদৃশ্যৰ বিশুদ্ধ জ্ঞান থকা এনে ভৱিষ্যদ্বাণী অসম্ভৱ। সিহঁতৰ দৃষ্টিত খোদা তা'লাৰ ফালৰ পৰা কোনো ওহী অৱতীৰ্ণ নহয়,আৰু অলৌকিকতা একো বস্তুৱে নহয় বুলি গণ্য কৰে আৰু ভৱিষ্যদ্বাণীও একোৱেই নহয় বুলি কয়। মৃতকৰ কবৰবোৰ মাথোঁ ধূলিৰ স্তূপ আৰু আত্মাৰ কোনো স্থান নাই; আৰু মৃতকৰ পুনৰুত্থান অবুদ্ধিৰ যুগৰ কাহিনী আৰু পৰকালৰ চিন্তা উন্মাদনা আৰু সকলো প্ৰজ্ঞা হৈছে পাৰ্থিৱ জগতৰ উপাৰ্জন; আৰু যিসকলে দিনে ৰাতি সংসাৰত আৰু সাংসাৰিক কামত নিয়োজিত হৈ আছে তেওঁলোকৰ অনুসৰণ কৰি তেনেকুৱাই হোৱা উচিত।

এই অমিল নবুয়তৰ আৰু দ্বিতীয় আগমনৰ সমস্যাৰ সৈতে জড়িত যদিও ইয়াৰ বাহিৰেও মুছলমান সকলৰ সামাজিক কাম-কাজত এক অমিল দেখা যায়। কথা-বতৰাত,আচৰণত,বিয়া-বাৰুত,বিবাহ বিচ্ছেদত, চুক্তিত,ক্ৰোধত, দয়াত,প্ৰতিশোধত আৰু ক্ষমাকৰণ আদিতো অমিল থকা দেখিবলৈ পোৱা যায়, সেয়ে এই জাতিটোত নিৰ্বিচাৰৰ এক অদ্ভুত ধুমুহা সৃষ্টি হৈছে, অজ্ঞতাৰ সীমা চেৰাই গৈছে। পথভ্ৰষ্টতাত সীমা পাৰ কৰি গৈছে। অথচ এই জাতিয়ে একত্ববাদৰ পোছাক পিন্ধি পৃথিৱীত প্ৰকাশ হৈছিল, কিন্তু সিহঁতৰ আচৰণ এনে পৰ্যায়ত গৈ উপনীত হৈছে যে আন আন জাতিৰ সম্বন্ধে আক্ষেপ বা আলোচনাৰ আৰু কি থাকে ?

খ্ৰীষ্টান জাতিৰ কেন্দ্ৰটো এনে এখন ভূমি য'ত অধীনস্থৰ কোমলতা আৰু শক্তিশালী মনটোৱে বহু আশাৰ সঞ্চাৰ সৃষ্টি কৰিছিল যদিও ধৰ্ম আৰু একেশ্বৰবাদৰ ক্ষেত্ৰতো তেওঁলোকে পদাৰ্থ বিজ্ঞান আৰু দৰ্শন অধ্যয়ন কৰি ডুবি গৈছে বুলি ক'বলৈ দুখ লাগে। এফালে আমি দেখিবলৈ পাওঁ

যে সেই বিষয়বোৰে পৃথিৱীৰ পৰিকল্পনা, ব্যৱস্থাপনা আৰু আধুনিক উদ্যোগৰ উত্থাপনৰ ক্ষেত্ৰত চৰম পৰ্যায়ত উপনীত হৈছে; আনফালে দেখিবলৈ পাওঁ যে তেওঁলোকে খোদাৰ সন্দৰ্ভত কেনে সমস্যাত পৰি গৈছে যে এজন নম্ৰ মানুহক জগতৰ প্ৰভু বুলি গণ্য কৰা হৈ আছে। এয়া দেখি আচৰিত লাগে যে জগতৰ কাম-কাজত এনে ধৰণৰ মস্তিষ্ক প্ৰয়োগ কৰে আৰু খোদাৰ সন্দৰ্ভত এনেকুৱা বিবেক বুদ্ধি। যেতিয়া আমি বিবেচনা কৰো যে উগ্ৰবাদৰ ক্ষেত্ৰত খ্ৰীষ্টান আৰু মুছলমানৰ মাজত কি পাৰ্থক্য আছে ? তেতিয়া জনা যায় যে মুছলমানৰ মাজত মানৱ জাতিৰ অধিকাৰ খৰ্ব কৰা মানুহ বহুত আছে আৰু খ্ৰীষ্টানৰ মাজত খোদাৰ অধিকাৰ খৰ্ব কৰা মানুহও আছে। কাৰণ জেহাদৰ সমস্যাৰ ভুলে মুছলমানক ইমানেই কঠিন কৰি তুলিছে যে মানৱ জাতিৰ প্ৰতি প্ৰকৃত প্ৰেম তেওঁলোকৰ হৃদয়ত নাই। গতিকে তেওঁলোকৰ মাজৰ বৰ্বৰ মানুহবোৰ কোনোবা নিম্ন স্বাৰ্থপৰৰ উদ্দেশ্যে বা চয়তানী আবেগৰ স্বাৰ্থত নিৰীহ ব্যক্তি সকলৰ তেজ বোৱাবলৈ সাজু হৈ যায় আৰু মানৱ জাতিৰ অধিকাৰ আৰু সম্পত্তিক খৰ্ব কৰাত দ্বিধাবোধ নকৰে মানৱ জাতিৰ এক প্ৰয়োজনীয় অংশক নিজৰ দখলত লৈ মানৱতাত কলংকিত কৰি দিছে। আকৌ যেতিয়া আমি খ্ৰীষ্টানসকলৰ পৰিস্থিতি ভালদৰে চাওঁ তেতিয়া স্পষ্ট হৈ পৰে যে তেওঁলোকে খোদা তা'লাৰ অধিকাৰ ধ্বংস কৰাত এটা মুহূৰ্তও এৰা নাছিল আৰু এজন অসহায় মানুহক অকাৰণতে খোদা হিচাপে গণ্য কৰিছিল আৰু যি উদ্দেশ্যে খোদা বনাইছিল সেই উদ্দেশ্যও প্ৰাপ্ত হোৱা নাছিল। যদি পাপৰ পৰা পৱিত্ৰ হ'বলৈ এই প্ৰেছক্ৰিপচন হয় যে ঈছা মছীহৰ (যীচু খ্ৰীষ্টৰ) তেজৰ ওপৰত বিশ্বাস স্থাপন কৰিব লাগিব তেন্তে ইউৰোপীসকলৰ পাৰ্থিৱ জগতৰ পূজা আৰু বিভিন্ন প্ৰকাৰৰ অবৈধ যৌন-সম্পৰ্কিত পাপৰ পৰা যিবোৰ উল্লেখ কৰোতে লজ্জাবোধ হয়, এই প্ৰেছক্ৰিপচনে কিয় পৱিত্ৰ কৰিব নোৱাৰিলে ? বৰং ইয়াৰ পৰিৱৰ্তে ই

প্ৰচণ্ডভাৱে বৃদ্ধি পাইছে। এছিয়াৰ দেশতকৈ ইউৰোপীয় দেশবোৰ কম দুৰ্নীতিগ্ৰস্ত নেকি ? তেন্তে কিয় এই অকাৰ্যকৰ প্ৰেছক্ৰিপচন পুনঃপৰীক্ষা কৰা হোৱা নাই ? এই পৃথিৱীত ক্ষণস্থায়ী স্বাস্থ্যৰ বাবে প্ৰত্যেক ডাক্তৰ আৰু ৰোগী এই ৰীতি অনুসৰণ কৰি চলিছে যে এটা প্ৰেছক্ৰিপচন এসপ্তাহত বা দহ দিনৰ ভিতৰতে উপকাৰ দেখা নগলে সেই প্ৰেছক্ৰিপচন পৰিৱৰ্তন কৰে আৰু কোনো ভাল ব্যৱস্থাৰ চিন্তা কৰা হয়। তেন্তে ভুল সাব্যস্ত হোৱাৰ পিছতো আজিলৈকে কিয় এই প্ৰেছক্ৰিপচন সলনি কৰা হোৱা নাই ? ঊনৈশ শ বছৰ পাৰ হৈ যোৱাৰ পিছতো যীচু খ্ৰীষ্টৰ তেজত বিশ্বাস কৰিলে প্ৰকৃত পৰিত্ৰাণ পোৱা যায় বুলি ধাৰণাটো এতিয়াও বৈধ নেকি ? বা তেওঁলোকে আশা কৰিব পাৰে যে বৰ্তমান সময়লৈকে কোনো বৈষম্যমূলক বিচাৰক উপস্থিত নহ'লেও ভৱিষ্যতে এনে সময় আহিব যেতিয়া খ্ৰীষ্টান সকলে পৃথিৱীৰ কু-অভ্যাস আৰু অসৎ কাৰ্যৰ পৰা আটাইতকৈ বেছি পৰিহাৰ কৰোঁতা সকল হ'ব। ইউৰোপৰ যিকোনো এখন দেশত বাস কৰা ব্যক্তিয়ে এই কথাষাৰ সত্য বুলি ইচ্ছা কৰিলে সাক্ষ্য দিব পাৰে, কিন্তু ইউৰোপ ভ্ৰমণ কৰি কিছুদিন পেৰিছ আদিত বাস কৰা প্ৰতিজন জ্ঞানী ব্যক্তিয়ে এই সাক্ষ্যত বিশ্বাস নকৰিব, ইউৰোপৰ কিছুমান অঞ্চল এনে অৱস্থাত উপনীত হৈছে যে বহুতৰে দৃষ্টিত অনৈতিকতা একেবাৰেই পাপ নহয়। তেওঁলোকৰ মতে এগৰাকীতকৈ অধিক পত্নীক বিয়া কৰা নিষিদ্ধ, কিন্তু বেয়া কৰ্ম নিষিদ্ধ নহয়। আচলতে ফ্ৰান্স ইত্যাদিত এনে লাখ লাখ নাৰী দেখিবলৈ পোৱা যায় যিসকলৰ স্বামীৰ প্ৰয়োজন নহয়। গতিকে এতিয়া হয়তো ক'ব লাগিব যে তেওঁলোকৰ বাবে ইঞ্জিলৰ পৰা এটা নতুন পদ ওলাইছে, যিয়ে এই সকলোবোৰ কামক বৈধ কৰি তুলিছে, অথবা ক'ব লাগিব যে মছীহৰ তেজৰ প্ৰেছক্ৰিপচনে বিপৰীত প্ৰভাৱ সৃষ্টি কৰিছে আৰু দাবীটো ভুল প্ৰমাণিত হৈছে। কিন্তু সত্যটো হ'ল যে এই প্ৰেছক্ৰিপচন সঠিক নাছিল

আৰু এজন ব্যক্তিৰ মৃত্যুৰ লগত আন এজন ব্যক্তিৰ পৰিত্ৰাণৰ কোনো শাৰীৰিক সম্পৰ্ক নাথাকে আৰু খোদা তা'লা জীৱিত থকাটোৰেই সকলো কল্যাণৰ আধাৰ হয়, সেইজনাৰ মৃত্যুত নহয়। সূৰ্য উদয় হোৱাত পোহৰৰ সৃষ্টি হয়, অস্ত যোৱাত নহয়। যেতিয়া এই প্ৰেছক্ৰিপচনৰ জৰিয়তে পাপৰ পৰা মুক্ত হোৱাৰ উদ্দেশ্য সাধন কৰিব পৰা নগ'ল, তেতিয়া তেওঁ খোদাৰ পুত্ৰ আছিল বুলি নীতিটোও শুদ্ধ নাছিল যিয়ে এই অভিপ্ৰায়েৰে নিজৰ জীৱন ধ্বংস কৰিলে। আমি খোদাক এনে মৃত্যুৰ প্ৰস্তাৱ দিব নোৱাৰো যে জীৱন হেৰাই গ'ল আৰু কাৰ্যক্ষেত্ৰতো একো নহ'ল। প্ৰথম, এই কথা খোদা তা'লাৰ প্ৰাচীন প্ৰকৃতিৰ নিয়মৰ পৰিপন্থী যে খোদা তা'লাও মৃত্যু আৰু বিনাশ আৰু নিজৰ ওপৰত হোৱা প্ৰতিটো ক্ষতি আৰু অপমান গ্ৰহণ কৰি নাৰীৰ গৰ্ভৰ পৰা জন্ম ল'ব পাৰে, কাৰণ এই দাবী কোনো দৃষ্টান্তৰ দ্বাৰা প্ৰমাণিত হোৱা নাই যাতে বুজিব পাৰি যে খোদা তা'লা আগতেও কেইবাবাৰো এইদৰে জন্ম লৈছিল আৰু হৃদয়ত সান্তনা পাইছিল, আৰু এই দাবীক মানুহৰ অলৌকিকতাৰ পৰিসৰৰ বাহিৰত থকা ঐশ্বৰিক অলৌকিকতাৰে প্ৰমাণিত কৰা হোৱা নাই, আৰু তেতিয়া এই বিশ্বাস যিটো বিশ্বাসৰ বাবে খোদিত কৰা হৈছিল, তাৰ মূল উদ্দেশ্যটো সম্পূৰ্ণৰূপে নোহোৱা হৈ গৈছে। এই পৃথিৱীত কামনা-বাসনাৰ ইচ্ছা পূৰণৰ দুটা প্ৰধান পাপ আছে, এটা হ'ল মদ্যপান আৰু আনটো হ'ল অনৈতিকতা (ব্যভিচাৰ)। এতিয়া কোৱা, ইউৰোপৰ বেছিভাগ পুৰুষ-মহিলাই এই দ্বৈত পাপবোৰত সম্পূৰ্ণৰূপে অংশ গ্ৰহণ কৰাটো সঁচা নহয়নে, কিন্তু এছিয়াৰ সকলোবোৰ দেশৰ তুলনাত ইউৰোপ মদ্যপান কৰাত অধিক বৃদ্ধি পাইছে বুলি কোৱাটো মই ইমান বঢ়াই কোৱা নাই। মদ বিক্ৰী কৰা ইমানবোৰ দোকান হ'ব যে আমাৰ চহৰবোৰৰ সকলো দোকান সেইবোৰতকৈ কম হ'ব আৰু অভিজ্ঞতাই প্ৰমাণ কৰি আছে যে সকলো পাপৰ মূল হৈছে মদ, কাৰণ ই কেইমিনিটমানৰ

ভিতৰতে মাতাল কৰি হত্যা কৰিবলৈ দুঃসাহসী কৰি তুলে, আৰু অন্যান্য ধৰণৰ পাপ আৰু দুষ্কৰ্ম ইয়াৰ প্ৰয়োজনীয় উপাদান। মই সঁচা কথা কওঁ আৰু জোৰ দি কওঁ যে মদ আৰু তাকওয়া (খোদা-ভীৰুতা) কেতিয়াও একত্ৰিত হ'ব নোৱাৰে। ইয়াৰ বেয়া পৰিণতিৰ বিষয়ে অৱগত নোহোৱা ব্যক্তিজন জ্ঞানী নহয় আৰু ইয়াত আন এটা ডাঙৰ সমস্যা আছে যে ইয়াৰ অভ্যাস এৰিব পৰাটো প্ৰত্যেকৰে কাম নহয়।

এতিয়া প্ৰশ্নটো হ'ল যে যদি মছীহৰ তেজে পাপৰ পৰা পৱিত্ৰ কৰিব নোৱাৰে, যেনেকৈ তেওঁ সঁচাকৈয়ে পৱিত্ৰ কৰিব নোৱাৰিলে, তেন্তে পাপৰ পৰা পৱিত্ৰ হোৱাৰ কোনো প্ৰতিকাৰ আছেনে নাই, কাৰণ লেতেৰা জীৱন আচলতে মৃত্যুতকৈও বেয়া। গতিকে এই প্ৰশ্নৰ উত্তৰ মই কেৱল এটা শক্তিশালী দাবীৰে নহয়, বৰং মোৰ ব্যক্তিগত অভিজ্ঞতা আৰু বাস্তৱতাৰ সেই পৰীক্ষাবোৰৰ পৰা দিছো যে আচলতে মানুহৰ জন্মৰ সময়ৰ পৰা আজিলৈকে যিবোৰ শেষ দিন, পাপ আৰু অবাধ্যতাৰ পৰা বাচিবলৈ কেৱল এটা উপায় আছে আৰু সেইটো হ'ল-নিশ্চিত যুক্তি-প্ৰমাণ আৰু উজ্জ্বল জ্যোতিৰ্ময় নিদৰ্শনৰ মাধ্যমে মানুহ আধ্যাত্মিক জ্ঞানেৰে সেই স্তৰত উপনীত হয় যিয়ে প্ৰকৃতপক্ষে খোদা তা'লাক দেখে আৰু তাৰ ওচৰত এই সত্য উদঘাটিত হৈ যায় যে খোদা তা'লাৰ ক্ৰোধ এক সৰ্বগ্ৰাহী অগ্নি। তাৰ পিছত খোদাৰ প্ৰতাপ উত্তম হৈ প্ৰমাণিত হৈ যায় যে প্ৰত্যেক প্ৰকাৰ সোৱাদ খোদাৰ মাজতেই নিহিত; উজ্জ্বলতা প্ৰস্ফুটিত হৈ সকলোবোৰ পৰ্দা আঁতৰাই দিয়া হয়, এয়াই এটা উপায় যাৰ মাধ্যমে প্ৰবৃত্তিৰ উৎসাহ দমন হয় আৰু এক ধৰণৰ মানুহৰ জীৱনত পৰিৱৰ্তন আহি যায়। এই উত্তৰৰ সময়ত কিমান লোকে মাত মাতিব যে আমি খোদাৰ ওপৰত বিশ্বাস স্থাপন নকৰো নে ? খোদাৰ প্ৰতি ভয় নকৰো নে আৰু সেইজনাক ভাল নাপাও নে ? সমগ্ৰ পৃথিৱীৰ কেৱল স্বল্প সংখ্যক মানুহে খোদাৰ অস্তিত্বক স্বীকাৰ কৰেনে আৰু

সিহঁতে ভিন্ন প্ৰকাৰ পাপত লিপ্ত হৈ থাকে নে ? এই সমূহ প্ৰশ্নৰ উত্তৰ এয়া যে ঈমান পৃথক বস্তু আৰু ইৰফান (সত্য) পৃথক বস্তু। আমাৰ বক্তব্যৰ দাবী এইটো নহয় যে মোমিন সকলে পাপৰ পৰা আঁতৰি থাকে বৰং দাবী এইটো যে প্ৰকৃত নিষ্ঠাবানে পাপৰ পৰা বাচি থাকে,সেইজন যিয়ে খোদাৰ প্ৰতি ভয় কৰে আৰু খোদাক ভাল পায়। কোনোবাই যদি কয় যে চয়তানৰো নিখুঁত জ্ঞান আছে তেন্তে তেওঁ কিয় অবাধ্য ? উত্তৰটো হ'ল চয়তানে প্ৰকৃত জ্ঞান কেতিয়াও অৰ্জন কৰিব নোৱাৰে যি জ্ঞান সৌভাগ্যবান সকলক প্ৰদান কৰা হয়। মানুহৰ স্বভাৱ নিশ্চিতভাৱে পৰিপূৰ্ণ জ্ঞানৰ দ্বাৰা প্ৰভাৱিত হয় আৰু মৃত্যুৰ পথে যেতিয়া নিজৰ ভয়ানক মুখখন দেখুৱায় তেতিয়া তাৰ সন্মুখত নাহে, কিন্তু বিশ্বাসৰ বাস্তৱতা হ'ল কেৱল সদ্বিশ্বাসেৰে বিশ্বাস স্থাপন কৰা, কিন্তু ইৰফানৰ বাস্তৱতা হ'ল বিশ্বাস কৰা কথাযাৰ দেখি লোৱা। গতিকে ইৰফান আৰু অবাধ্যতা দুয়োটাকে একে হৃদয়ত একত্ৰিত কৰাটো অসম্ভৱ। যিদৰে দিন আৰু ৰাতি একে সময়তে একত্ৰিত হোৱাটো অসম্ভৱ।

তোমাৰ দৈনন্দিন অভিজ্ঞতা যে যেতিয়া কোনো বস্তু উপযোগী বুলি প্ৰমাণিত হয়, তেতিয়াই তাৰ প্ৰতি আকৰ্ষণ সৃষ্টি হয় আৰু যেতিয়া সেইটো ক্ষতিকাৰক বুলি প্ৰমাণিত হয়, তেতিয়া হৃদয়ে তৎক্ষণাত তাক ভয় কৰিবলৈ আৰম্ভ কৰে। উদাহৰণস্বৰূপে যিয়ে নাজানে যে এই বস্তুটো যি মোৰ হাতত আছে ছেম আলফাৰ (এবিধ বিষাক্ত মৌলিক পদাৰ্থ), তেওঁ ইয়াক ঔষধ বা উপযোগী ঔষধ বুলি ভাবি এটা বা দুটা তোলালৈকে খাব পাৰে, কিন্তু যিজনে অনুভৱ কৰিছে ই এটা হত্যাকাৰী বিষ তেওঁ ইয়াৰ এটা টুকুৰাও ব্যৱহাৰ কৰিব নোৱাৰে কাৰণ তেওঁ জানে যে তেওঁ ইয়াক খোৱাৰ লগে লগে পৃথিৱীখন এৰি যাব। একেদৰে মানুহৰ যেতিয়া এই উপলব্ধি জন্মে যে নিঃসন্দেহে খোদা বিদ্যমান আছে আৰু সেইজনাৰ দৃষ্টিত সৰ্বপ্ৰকাৰ পাপ শাস্তিযোগ্য, যেনে চুৰি, ৰক্তপাত, অধৰ্ম, নিষ্ঠুৰতা, বিশ্বাসঘাতকতা,

অংশীবাদিতা বা শিৰক, মিছা, মিছা সাক্ষ্য দিয়া, অহংকাৰ, ভণ্ডামি, ব্যভিচাৰ, প্ৰতাৰণা, নিন্দা, অসৎ, অৱহেলা, দুষ্ট জীৱন, খোদা তা'লাৰ কৃতজ্ঞতা প্ৰকাশ নকৰা, খোদা তা'লাক ভয় নকৰা, সেইজনাৰ ভৃত্যসকলৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন নকৰা, খোদা তা'লাক অন্তৰেৰে ভীতিসহকাৰে স্মৰণ নকৰা, বিলাসীতা আৰু পৃথিৱীৰ আনন্দৰ মাজত সম্পূৰ্ণৰূপে হেৰাই যোৱা আৰু প্ৰকৃত আনন্দ পাহৰি যোৱা, প্ৰাৰ্থনা আৰু নম্ৰতাৰ লগত কোনো সম্পৰ্ক নথকা, বিক্ৰীযোগ্য সামগ্ৰীৰ মিশ্ৰণ বা কম ওজন দিয়া বা বজাৰৰ মূল্যতকৈ বেছি মূল্যত বিক্ৰী কৰা, অভিভাৱকক সেৱা নকৰা, পত্নীৰ লগত সু-সম্পৰ্ক বজায় নৰখা, স্বামীৰ সম্পূৰ্ণ আজ্ঞা পালন নকৰা, অবৈধ পুৰুষ বা মহিলাক কু-দৃষ্টিত দেখা, অনাথ, অক্ষম, দুৰ্বল, অসহায়সকলৰ প্ৰতি মনোযোগী নোহোৱা ওচৰ-চুবুৰীয়াৰ অধিকাৰৰ প্ৰতি কোনো গুৰুত্ব নিদিয়া আৰু তেওঁলোকৰ মনত কষ্ট দিয়া, নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিবলৈ আনক অপমান কৰা, কাৰোবাক আঘাতজনক কথাৰে ঠাট্টা কৰা বা কোনো শাৰীৰিক দোষক অপমান কৰা বা তেওঁক বেয়া উপাধি দিয়া বা অন্যায় অপবাদ দিয়া, খোদাৰ প্ৰতি মিছাৰোপ কৰা আৰু নাউযুবিল্লাহ নিজকে নবী, ৰছুল বা খোদাকৰ্তৃক প্ৰেৰিত হোৱাৰ মিছা দাবী কৰা, খোদাৰ অস্তিত্বক অস্বীকাৰ কৰা বা এজন ন্যায় বিচাৰক শাসকৰ বিৰুদ্ধে বিদ্ৰোহ কৰা আৰু দুষ্টামী কৰি দেশত বিশৃঙ্খলা সৃষ্টি কৰা, এই সকলোবোৰ পাপ যাৰ প্ৰত্যেকটো অৱশ্যই শাস্তিযোগ্য, এই কথা জনা থাকিলে পাপ নিজৰ পৰা পৰিত্যক্ত হৈ যায়।

হয়তো কোনোবাই প্ৰতাৰণা কৰি এই প্ৰশ্ন উত্থাপন কৰি দিয়ে যে খোদা আছে বুলি জানে আৰু এয়াও জানে যে পাপৰ শাস্তি আছে তথাপিও আমাৰ দ্বাৰা পাপ সংঘটিত হয়, গতিকে আমাক আন কোনো উপায়ৰ প্ৰয়োজন। তেতিয়া আমি আগতে দিয়া একেটা উত্তৰ দিম যে পাপ কৰাৰ

লগে লগেই বিদ্যুতৰ নিচিনা তোমাৰ ওপৰত শাস্তিৰ জুই বৰ্ষিত হ'ব-এই বিষয়ে নিশ্চিত জ্ঞান লাভ কৰা সত্বেও তুমি পাপ কৰিবলৈ সাহস পাবা সেয়া কেতিয়াও বা কোনোমতেই সম্ভৱ নহয়। এয়া কোনো ধৰণে ভাঙিব নোৱাৰা এক দৰ্শন। চিন্তা কৰা আৰু ভালদৰে চিন্তা কৰা যে য'তেই শাস্তি পোৱাৰ সম্পূৰ্ণ বিশ্বাস আছে, সেই বিশ্বাসৰ বিপৰীত কোনো কাম কেতিয়াও কৰিব নোৱাৰা। তুমি কোৱা, জুইত হাত দিব পাৰিবা নে ? পাহাৰৰ শিখৰৰ পৰা নিজকে পেলাই দিব পাৰিবা নে ? কোঁৱাৰ ভিতৰত তুমি পৰি যাব পাৰিবা নে ? চলন্ত ৰেলৰ সন্মুখত শুই থাকিব পাৰিবা নে ? বাঘৰ মুখৰ ভিতৰত নিজৰ হাত সুমাই দিব পাৰিবা নে ? পাগল কুকুৰৰ সন্মুখত ভৰিখন ৰাখিব পাৰিবা নে ? য'ত ভয়ঙ্কৰ বজ্ৰপাত হৈছে তুমি তাতে থিয় দি থাকিব পাৰিবা নে ? যি ঘৰৰ কাড়িকাঠ ভাঙি পৰাৰ উপক্ৰম হৈছে বা ভূমিকম্পত মাটি তললৈ ডাবি আছে সেই স্থানৰ পৰা তুমি ততাতৈয়াকৈ ওলাই নোযোৱা নে ? কোৱা তোমালোকৰ মাজৰ কোনে নিজৰ বিচনাত এটা বিষাক্ত সাপ দেখি তৎক্ষণাত তললৈ জপিয়াই নাযায় ? বাৰু এনে এজন ব্যক্তিৰ নাম লোৱা যিজনে যেতিয়া তেওঁৰ শুই থকা কোঠাটোত জুই লাগে তেতিয়া তেওঁ সকলো এৰি বাহিৰলৈ দৌৰি নাযাব নে ? তেন্তে এতিয়া কোৱা তোমালোকে কিয় এনেকুৱা কৰা আৰু এই সমূহ অনিষ্টকৰ বস্তুৰ পৰা কিয় দূৰলৈ গুচি যোৱা ? কিন্তু সেই সমূহ পাপৰ কথা যাক মই এতিয়াই লিখিছো তাৰ পৰা কিয় আঁতৰত নথকা ? ইয়াৰ কাৰণ কি ? গতিকে মনত ৰাখিবা এজন বুদ্ধিমান ব্যক্তি এই বিষয়ে চিন্তা-ভাবনা আৰু বিবেচনাৰ পিছত এই উত্তৰ দিব যে উভয় ক্ষেত্ৰত জ্ঞানৰ পাৰ্থক্য আছে। অৰ্থাৎ খোদা তা'লাৰ নিৰূপিত পাপ সম্বন্ধে বেছিভাগ মানুহৰ জ্ঞান অপূৰ্ণ। তেওঁলোকে জানে যে পাপবোৰ বেয়া কিন্তু সেয়া সিংহ আৰু সাঁপৰ নিচিনা নাভাবে আৰু তেওঁলোকে গোপনতে এই ধাৰণা পোষণ কৰে যে এই শাস্তি

নিশ্চত নহয়, আনকি খোদা তা'লাৰ নিশ্চিত সত্তা সম্বন্ধে তেওঁলোকৰ সন্দেহ আছে যে সেইজনা আছে কি নাই। যদি থাকিও থাকে তেন্তে কোনে জানে আত্মাৰ মৃত্যুৰ পিছত সেয়া অমৰ থাকিব নে নাই; যদি অমৰ থাকে তেন্তে সেইসমূহ অপৰাধৰ কোনো শাস্তি আছে নে নাই। নিঃসন্দেহে অনেকৰ হৃদয়ৰ ভিতৰত এয়া বিচাৰ সুপ্ত হৈ আছে যি সম্বন্ধে তেওঁলোক অজ্ঞাত। কিন্তু ভয়ৰ সকলো ঠাই তেওঁলোকে পৰিহাৰ কৰে, যিবোৰৰ মই কেইটামান উদাহৰণ লিখিছো, সেইবোৰ সকলোৱে বিশ্বাস কৰে যে আমি এইবোৰৰ ওচৰলৈ গ'লে আমি বিনষ্ট হ'ম। গতিকে সেইবোৰৰ ওচৰলৈ নাযায়, কিন্তু এনে মাৰাত্মক বস্তুবোৰ যদি ভূলতে কেতিয়াবা সন্মুখলৈ আহে তেতিয়া চিঞৰ মাৰি দূৰলৈ আঁতৰি যায়। গতিকে প্ৰকৃত বাস্তৱতা হ'ল যে সেইসমূহ বস্তু দেখাৰ সময়ত মানুহৰ নিশ্চিত জ্ঞান থাকে যে সেইবোৰ ব্যৱহাৰৰ পৰিণাম মৃত্যু। কিন্তু ধৰ্মীয় আদেশ পালনত জ্ঞান নিশ্চিত নহয়, কেৱল সন্দেহ কৰে আৰু সেই ঠাই দেখে আৰু কয় ই কেৱল কাহিনী। বিচ্ছিন্ন কাহিনীৰে পাপ আঁতৰাব নোৱাৰি। এতেকে মই তোমালোকক সঁচা কথা কওঁ যে এজন মছীহ নহয় বৰং হাজাৰজন মছীহ ক্ৰুছত প্ৰাণ দিও তোমালোকক প্ৰকৃত মুক্তি দিব নোৱাৰে। কাৰণ প্ৰকৃত ভীতি বা প্ৰকৃত ভালপোৱাই একমাত্ৰ পাপৰ পৰা মুক্তি দিব পাৰে;আৰু মছীহৰ ক্ৰুছত মৃত্যুৰ কথাটো একেবাৰে মিছা, আৰু তাৰ পিছত তেওঁৰ পাপৰ উদ্যম বন্ধ কৰাৰ লগত কোনো সম্পৰ্ক নাই। বিবেচনা কৰা যে এই দাবী আন্ধাৰত নিহিত হৈ আছে, যাৰ কোনো অভিজ্ঞতাই সাক্ষ্য দিব নোৱাৰে আৰু মছীহৰ আত্মহত্যাৰ কাৰ্য্যৰ লগত আনৰ পাপৰ ক্ষমাৰ কোনো সম্পৰ্ক পোৱা নাযায়। প্ৰকৃত মুক্তিৰ দৰ্শন হ'ল এই পৃথিৱীতেই এজন ব্যক্তি পাপৰ নৰকৰ পৰা পৰিত্ৰাণ পাব পাৰে। কিন্তু তুমি ভাবি চোৱা যে এনে কাহিনীৰ জৰিয়তে তুমি পাপৰ নৰকৰ পৰা মুক্তি পাইছা নেকি বা এই অৰ্থহীন

কাহিনীবোৰৰ পৰা কোনোবাই কেতিয়াবা মুক্তি পাইছে নে যিবোৰত বিন্দু মাত্র বাস্তৱতা নাই আৰু যিসকলৰ প্ৰকৃত মুক্তিৰ সৈতে কোনো সম্পৰ্ক নাই সিহঁতে মুক্তি পাইছে নে ? পূব আৰু পশ্চিমত সন্ধান কৰা তুমি কেতিয়াও এনেকুৱা মানুহ বিচাৰি নোপোৱা যিয়ে এই কাহিনীবোৰৰ জৰিয়তে সেই প্ৰকৃত পৰিত্ৰতাত উপনীত হৈছে। যিয়ে খোদা তা'লাক দেখিব পাৰিছে সি কেৱল পাপৰ প্ৰতি ঘৃণাৰ দিশতেই নহয়, স্বৰ্গৰ ৰূপত সত্যৰ সোৱাদ পোৱা আৰম্ভ হয় আৰু মানুহৰ আত্মা পানীৰ নিচিনা বৈ গৈ খোদা তা'লাৰ চৰণত পৰি যায় আৰু আকাশৰ পৰা এটা পোহৰ নামি আহে আৰু কামনা-বাসনা সম্বন্ধীয় সমূহ অন্ধকাৰ দূৰ কৰি দিয়ে। একেদৰে দিনত যেতিয়া তুমি চাৰিওফালৰ খিৰিকীবোৰ খুলি দিবা তেতিয়া তুমি এই ভৌতিক নিয়মটো দেখিবা যে সূৰ্যৰ পোহৰ লগে লগে তোমাৰ ভিতৰত প্ৰৱেশ কৰিব, কিন্তু যদি তুমি তোমাৰ খিৰিকীবোৰ বন্ধ কৰি ৰখা তেন্তে কেৱল গল্প বা কাহিনীৰ জৰিয়তে সেই পোহৰ তোমাৰ ভিতৰত নাহে তুমি পোহৰ পাবলৈ হ'লে এয়া অৱশ্যেই কৰিব লাগিব যে নিজৰ ঠাইৰ পৰা উঠা আৰু খিৰকীবোৰ খুলি দিয়া তেতিয়াহে পোহৰ নিজেই তোমাৰ কোঠালিৰ ভিতৰত আহিব আৰু তোমাৰ ঘৰখনো আলোকিত কৰিব। পানীৰ কথা ভাবিলেই পিয়াহ নিবাৰণ কৰিব পাৰিনে ? নিশ্চয় নোৱাৰে; বৰং তেওঁ উঠি-পৰি নিজৰাৰ ওচৰত গৈ স্বচ্ছ শীতল পানীত ওঁঠ ৰাখি সেই মিঠা পানী পান কৰিব লাগিব, তেতিয়াহে সেই মিঠা পানীত তেওঁ পৰিতৃপ্ত হ'ব।

গতিকে একীন বা দৃঢ় বিশ্বাস হ'ল সেই পানী যাৰ দ্বাৰা তৃপ্তি লাভ কৰিবা আৰু পাপৰ যন্ত্ৰণা আৰু জ্বলনৰ পৰা দূৰ হৈ থাকিবা। পাপৰ পৰা পৰিত্ৰতা লাভৰ বাবে আকাশৰ তলত ইয়াৰ বাহিৰে আন কোনো বিকল্প নাই। কোনো ক্ৰুছে তোমাক পাপমুক্ত কৰিব নোৱাৰে, কোনো তেজে তোমাৰ ইন্দ্ৰিয় লালসা দমনত সক্ষম নহয়। পৱিত্ৰ মুক্তিৰ সৈতে এইবিলাকৰ

কোনো সম্বন্ধ বা সম্পৰ্ক নাই। বাস্তৱতাক উপলব্ধি কৰা, সত্যতা সম্বন্ধে চিন্তা কৰা। পাৰ্থিৱ বিষয়াবলীৰ নিচিনা এই বিষয়ে পৰীক্ষা কৰি চোৱা। তেন্তে অতি সোনকালে বুজিব পাৰিবা যে প্ৰকৃত একীন বা বিশ্বাস অবিহনে আন কোনো পোহৰ নাই যি তোমাক প্ৰবৃত্তিৰ কামনাৰ অন্ধকাৰৰ পৰা মুক্ত কৰিব পাৰিব, পূৰ্ণ অন্তৰ্দৃষ্টি সম্পন্ন স্বচ্ছ পানী অবিহনে তোমাৰ অন্তৰৰ আৱৰ্জনাবোৰ কোনেও ধুই পেলাব নোৱাৰে। সঁচা দৰ্শনৰ শীতল পানী অবিহনে তোমাৰ অন্তৰৰ জ্বলা-যন্ত্ৰনা কেতিয়াও দূৰ হ'ব নোৱাৰে। যিজন ব্যক্তিয়ে তোমাক অন্য পদ্ধতি কয় তেওঁ মিছলীয়া আৰু আন ধৰণৰ চিকিৎসা কৰিব বিচৰা ব্যক্তিজন অজ্ঞান। সেই মানুহবোৰ তোমাক পোহৰ দিব নোৱাৰে বৰঞ্চ তোমাক আন্ধাৰৰ গাঁতত নিক্ষেপ কৰিব। তোমাক শীতল পানী নিদিয়ে আৰু জ্বলা-যন্ত্ৰণা বৃদ্ধি কৰি দিব। সেই তেজৰ বাহিৰে আন কোনো তেজে তোমাক কল্যাণমণ্ডিত কৰিব নোৱাৰে যি দৃঢ়-বিশ্বাসৰ খাদ্যৰ মাধ্যমে তোমাৰ ভিতৰত সৃষ্টি হয়। কোনো ক্ৰুছে তোমাক ৰক্ষা কৰিব নোৱাৰে, কেৱল সঠিক পথৰ ক্ৰুছ অৰ্থাৎ সত্যৰ ওপৰত বিশ্বাস স্থাপন কৰি ৰক্ষা পাব পাৰিবা। গতিকে তুমি চকু মেলা আৰু চোৱা যে এইটো সত্য নহয় নে যে তুমি ৰশ্মিৰ মাধ্যমে দেখিব পাৰা, আন কোনো বস্তুৰ মাধ্যমে নহয় ? কেৱল শুদ্ধ বাট অৱলম্বন কৰি নিজৰ উদ্দেশ্যত উপনীত হ'ব পাৰিবা, আন কোনো বাট অৱম্বন কৰি নহয়। জগতৰ বস্তু তোমাৰ অতি কাষত আৰু দ্বীন অতি নিলগত। গতিকে যি বস্তু তোমাৰ অতি কাষত তাৰ প্ৰতি চিন্তা-ভাৱনা কৰা আৰু তাৰ আইন সমূহ জানি লোৱা তাৰ পিছত দূৰত থকা বস্তুক তাৰ সৈতে তুলনা কৰা। কাৰণ সেইজনাই হয় যিয়ে এই উভয় আইন প্ৰণয়ন কৰিছে। তোমাৰ মাজত কোনে আছে যিয়ে বিনা চকুৰে দেখিব পাৰে বা বিনা কাণ শ্ৰৱণ কৰিব পাৰে বা বিনা জিভাৰে কথা ক'ব পাৰে ? তেন্তে কিয় এই আইনৰ দ্বাৰা

আধ্যাত্মিক ক্ষেত্ৰত উপকৃত নোহোৱা ? তোমাৰ চকু থকা সত্ত্বেও তুমি এনে কোনো ঠাইত অৱস্থান কৰিব পাৰিবা নে যিখন গভীৰ গাঁতৰ নিচিনা বা কাণ থকা সত্ত্বেও তুমি এনে মাত শুনিব নোৱাৰা যিয়ে চোৰৰ আগমনৰ খবৰ দিয়ে বা জিভা থকা সত্ত্বেও যিয়ে তোমাক মিঠা আৰু তিতাৰ মাজত পাৰ্থক্য কৰি দেখুৱায় তেনে ক্ষেত্ৰত তিতা আৰু বিষাক্ত বস্তু খাব পাৰিবা নে যিয়ে তোমাৰ জিভাখনৰ সোৱাদ নষ্ট কৰি পেলায় আৰু পেট বিচলিত কৰি পেলায়, বমি আৰু শৰীৰত প্ৰদাহ সৃষ্টি কৰে আৰু শেষত আপোনাক হত্যা কৰি পেলায়। গতিকে সেইবোৰক অংগবোৰৰ দ্বাৰা বুজি লোৱা যে আপুনি আধ্যাত্মিকভাৱে আধ্যাত্মিক জীৱনৰ প্ৰয়োজন যে তুমি এটা পোহৰ পাব পাৰা যাৰ মাধ্যমে তুমি বেয়া পথৰ বেয়াক দেখিব পাৰা তাৰ পিছত আপুনি এটা মাত পায় যিয়ে আপোনাক চোৰ আৰু ডকাইতৰ গতিপথৰ পৰা পৃথক কৰে আৰু তুমি এটা সোৱাদ পোৱা যাৰ সহায়ত তুমি তিতা, মিঠা, বিষ আৰু প্ৰতিযেধকৰ মাজত পাৰ্থক্য কৰিব পাৰা। জ্ঞান লাভ নকৰাকৈ কেৱল অন্ধ হৈ থাকিলে কাৰোৱাৰ তেজৰ পৰা মুক্তি পোৱাটো একেবাৰেই সম্ভৱ নহয়। পৰিত্ৰাণ এই জগতৰ পিছত অহা বস্তু নহয়, প্ৰকৃত পৰিত্ৰাণ এই জগতত পোৱা যায়। সেয়া এক প্ৰকাৰ পোহৰ যি হৃদয়ত অৱতীৰ্ণ হয় আৰু দেখুৱাই দিয়ে কোনটো ধ্বংসৰ গাঁতত নিপতিত হৈ আছা। সত্য আৰু প্ৰজ্ঞাৰ পথ অনুসৰণ কৰা যাতে খোদাক বিচাৰি পোৱা আৰু হৃদয়ত উষ্ণতা সৃষ্টি কৰিব পাৰা আৰু সত্যৰ দিশত আগবাঢ়িব পাৰা। দুৰ্ভাগ্যজনক হৃদয় সেইটো যিটো ঠাণ্ডা পৰি গৈছে, আৰু দুৰ্ভগীয়া সেই প্ৰকৃতি যি হতাশ আৰু মৃত, যি জিলিকি নাথাকে। গতিকে সেই বাল্টিতকৈ কম নহ'বা যিখন খালি বাল্টি কুঁৱাত সোমাই দিয়া হয় আৰু ওলোৱাৰ সময়ত পানী ভৰ্তি হৈ আহে ; সেই ছাকনীৰ নিচিনা চৰিত্ৰ গ্ৰহণ নকৰিবা য'ত কোনো পানী থাকিব নোৱাৰে আৰু যিটো এটা দিশত আহি আন এটা দিশত ওলাই যায়।

চেষ্টা কৰা যাতে সুস্থ হোৱা আৰু পাৰ্থিৱ উচ্চাকাংক্ষাৰ বিষাক্ত উত্তাপ দূৰ হৈ যায়, যাৰ কাৰণে চকুত জ্যোতি নাথাকে, কাণেও ভালকৈ শুনিব নোৱাৰে, জিভাই সোৱাদও ভালদৰে নাপায় আৰু হাতত কোনো জোৰ নাথাকে আৰু ভৰিত শক্তিও নাথাকে সেই সম্পৰ্ক ছিন্ন কৰা যাতে আন এটা সম্পৰ্ক সৃষ্টি হয়। হৃদয়খনক এফালে বাধা দিয়া যাতে হৃদয়খনে আনফালে বাট বিচাৰি পায়। পৃথিৱীৰ বেয়া কীট দলিয়াই দিয়া, যাতে আকাশৰ উজ্জ্বল হীৰা প্ৰদান কৰা হয়। নিজৰ প্ৰাৰম্ভিকৰ ফালে ঘূৰি যোৱা, সেই প্ৰাৰম্ভিক স্থান যেতিয়া আদমক ঐশ্বৰিক আত্মাৰ দ্বাৰা জীৱিত কৰা হৈছিল, যাতে তুমি সকলো বস্তুৰ ওপৰত আধিপত্য বিস্তাৰ লাভ কৰিব পাৰা যিদৰে তোমাৰ পিতৃয়ে পাইছিল।

দিন পাৰ হৈ গ'ল, এতিয়া আছৰৰ সময়, চাৰিটামান বাজিছে, ৰাতি হ'বলৈ ধৰিছে, সূৰ্য অস্ত যাবলৈ ধৰিছে। এতিয়া যদি চাবলৈ বিচৰা চাই লোৱা পিছত কি দেখিবা ? ইয়াৰ আগতে কিবা কৰা নিজৰ খাদ্যৰ বাবে উত্তম বস্তু আগুৱাই পঠোৱা, শিল আৰু ইটা নহয় আৰু পিন্ধিবলৈ সাজ-পোছাক পঠোৱা, কাঁইট আৰু আৱৰ্জনা নহয়। সেই খোদা, সন্তান জন্মৰ আগতেই যিজনে মাতৃৰ স্তনত গাখীৰ ঢালি দিয়ে, সেইজনাই তোমাৰ বাবে তোমালোকৰ যুগত আৰু তোমালোকৰ দেশত এজনক পঠিয়াছে যেন মাতৃৰ দৰে নিজৰ স্তনেৰে তোমালোকক স্তনপান কৰায়। তেওঁ তোমালোকক বিশ্বাসৰ গাখীৰ দিব, যি সূৰ্যতকৈ বগা আৰু সকলো মদতকৈও অধিক তোমাক আনন্দ প্ৰদান কৰিব। যদি তুমি জীয়াই থকাৰ বাবে জন্ম লৈছা মৃত নহয়, তেন্তে আহি সেই স্তনৰ ফালে দৌৰি আহা য'ৰ পৰা সতেজ গাখীৰ পান কৰিব পাৰিবা। সেই গাখীৰ নিজৰ পাত্ৰৰ পৰা পেলাই দিয়া যি সতেজ নহয় আৰু কুৎসিত বতাহত পচি গৈছে আৰু তাত কীটানু আছে যিবোৰ তুমি দেখা নোপোৱা। ই তোমাক জ্ঞান দিব নোৱাৰে, ভিতৰত প্ৰৱেশ কৰাৰ

লগে লগে তোমাৰ স্বাস্থ্য নষ্ট কৰি দিব। কাৰণ ই এতিয়া গাখীৰ নহয় বৰঞ্চ বিষহে। প্ৰত্যেক বগাক প্ৰশংসাৰ দৃষ্টিৰে নাচাবা কাৰণ কিছুমান বগাতকৈ কিছুমান ক'লা ভাল। যেনেকৈ ক'লা চুলিয়ে যৌৱনৰ শক্তিক বুজায় আৰু বগা চুলিয়ে দুৰ্বলতা, ক্ষীণ আৰু বাৰ্ধক্যক বুজায়, তেনেকৈয়ে ভণ্ডামিৰ বগা আৰু গুণৰ প্ৰদৰ্শনী মূল্যহীন। সহজ আৰু সৰল পাপী ব্যক্তি ইয়াতকৈ ভাল,যিসকলে প্ৰতাৰণা কৰি নিজৰ পাপক লুকুৱাই নাৰাখে। গতিকে মই সঁচাকৈয়ে কওঁ যে সি খোদাৰ ক্ষমা লাভৰ অধিক নিকটৱৰ্তী। সেই বস্তুৰ প্ৰতি নিৰ্ভৰশীল নহ'বা যি নিশ্চিত নহয়। ইয়াৰ লগত কোনো প্ৰকৃত পোহৰ নাই, কোনো পৱিত্ৰ দৰ্শন ইয়াক সমৰ্থন নকৰে বৰং ইয়াৰ সকলোবোৰ ধ্বংসৰ পথ। তুমি নিজৰ হৃদয়ৰ ইচ্ছাবোৰ অনুমান কৰা সি কি বিচাৰে আৰু সি কেনেকৈ বুজিব পাৰে যে আমি বেয়াৰ পৰা পৃথক হ'ব পাৰো।

কিহৰ ভিত্তিত তেওঁলোকৰ অন্তৰাত্মা কয় যে এয়া আমাৰ বাবে যথেষ্ট হ'ব। কোনো হৃদয়ে মানি লয় নে যে মছীহৰ তেজে তেওঁৰ মনক পাপৰ প্ৰতি ভীতিৰ সঞ্চাৰ কৰিব ? বৰং অভিজ্ঞতাই কৈছে আৰু দুঃসাহসী কৰি তুলিব। কাৰণ মছীহৰ তেজত নিৰ্ভৰশীল ব্যক্তি এই কথা জানে যে তেওঁৰ পাপৰ প্ৰায়শ্চিত্ত পৰিশোধ হৈ গৈছে। কিন্তু পাপৰ বিষক্ৰিয়া সম্বন্ধে যাক জ্ঞান দান কৰা হ'ব সি কোনোমতেই পাপকৰ্ম কৰিব নোৱাৰে কাৰণ ইয়াত সি নিজৰ ধ্বংস দেখিবলৈ পায়। গতিকে খোদাৰ তৰফৰ পৰা প্ৰেৰণ কৰাজনৰ মাধ্যমে তোমালোকে এনে শিক্ষালৈ উপনীত হ'বা যাৰ দ্বাৰা তোমালোকৰ হৃদয়ে খোদাক দেখিব পাৰিবা আৰু বেয়াৰ বিষও দেখিবলৈ পাবা তেতিয়া তোমালোকে পাপৰ পৰা আঁতৰি থাকিবা যিদৰে এজন ব্যক্তিয়ে সিংহৰ পৰা পলায়ন কৰে। এই আলোচনীখন লিখাৰ উদ্দেশ্য এইটোৱে যে খোদাৰ শিক্ষা আৰু নিদৰ্শন সমূহক পৃথিৱীত বিস্তাৰ লাভ কৰা যাতে যিসকল লোকে ক্ৰুছত আৰু মছীহৰ তেজতে মুক্তি বিচাৰে

সিহঁতে যেন প্ৰকৃত মুক্তিৰ নিজৰা দেখিব পাৰে। প্ৰকৃত মুক্তি তাতে নাথাকে য'ত এভাগ পানী আৰু বিশ ভাগ বোকা আৰু আৱৰ্জনা। হৃদয়খন পৰিষ্কাৰ কৰাৰ বাবে আকাশৰ পৰা পানী নিৰ্দিষ্ট সময়ত অৱতীৰ্ণ হয়; তাৰ মাজেৰে বৈ যোৱা খালটো বোকা আৰু লেতেৰা পানীৰ পৰা বহু দূৰত আৰু মানুহে তাৰ পৰা পৰিষ্কাৰ আৰু ভাল পানী ব্যৱহাৰ কৰে। কিন্তু যিটো খাল শুকান আৰু কিছু পানী তাতে স্থবিৰ হৈ থাকে আৰু সেয়াও লেতেৰা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা নহয়, বহুত বোকা তাৰ লগত মিহলি হৈ যায়। বহু জন্তুৱে সেয়া আৰু লেতেৰা কৰে; একেদৰেই যিটো হৃদয়ক খোদাৰ জ্ঞান দিয়া হৈছে আৰু আশ্বাস দিয়া হৈছে সেই হৃদয়খন বৈ যোৱা নৈৰ দৰে যিয়ে সকলো পথাৰত পানী দিয়ে আৰু ইয়াৰ পৰিষ্কাৰ আৰু শীতল পানীয়ে হৃদয়বোৰক তৃপ্তি দিয়ে আৰু মনটোৰ জ্বলনৰ পৰা কেৱল শুদ্ধই নকৰে বৰং পৱিত্ৰও কৰে, কিয়নো সেইটোৱে প্ৰজ্ঞা আৰু জ্ঞান দান কৰে যিয়ে মানুহৰ হৃদয়ৰ মৰিছা আঁতৰ কৰে আৰু পাপক ঘৃণা কৰে, কিন্তু অলপ পানীৰ নিচিনা য'ত বোকা মিহলি হৈ আছে সেইটোৱে সৃষ্টিকুলক উপকৃত কৰিব নোৱাৰে আৰু নিজকে পৰিষ্কাৰ কৰিবও নোৱাৰে। গতিকে সময় আছে এতিয়া উঠা আৰু একীনৰ (দৃঢ় বিশ্বাসৰ) পানীৰ সন্ধান কৰা, আপুনি নিশ্চয় বিচাৰি পাব আৰু প্ৰচুৰ বিশ্বাসেৰে নদীৰ দৰে বৈ যাব। প্ৰতিটো সন্দেহৰ অশুদ্ধিৰ পৰা নিজকে শুদ্ধ কৰি পাপৰ পৰা মুক্ত কৰা। এই পানীয়ে পাপৰ লেখ-জোখ ধুই আপোনাৰ বুকুখন পৰিষ্কাৰ কৰি দিব আৰু ঐশ্বৰিক ছাপৰ দৰে সাজু কৰি তুলিব। এই ফলিটোৰ পৰা শাৰীৰিক আখৰবোৰ মচি পেলাব নোৱাৰিব যদিহে আপুনি বিশ্বাসৰ পৰিষ্কাৰ পানীৰে ধুই নেপেলায়। প্ৰতিজ্ঞা কৰা যাতে আপুনি অনুমোদিত হয় আৰু সন্ধান কৰা যাতে আপোনালোকৰ বাবে উপলব্ধ হয় আৰু হৃদয় কোমল কৰা যাতে কথাবোৰ বুজিব পাৰা। কাৰণ কঠোৰ হৃদয়ৰ বাবে তথ্য বুজি

পোৱাটো অসম্ভৱ। আপোনালোকে ভাৱিছে নে যে এই পথ অবিহনে আপোনালোকৰ হৃদয়ত খোদাৰ মহিমা প্ৰতিষ্ঠিত হ'ব পাৰিব আৰু এই জীৱন্ত খোদাৰ মহিমা আপোনালোকৰ ওচৰত প্ৰকাশ পাব আৰু সেইজনাৰ শক্তি আপোনালোকৰ ওচৰত প্ৰকাশ পাব আৰু হৃদয়খন আন কোনো বিশ্বাসৰ পোহৰেৰে ভৰি পৰিব ? আন কোনো পদ্ধতিৰ দ্বাৰা পাপক ঘৃণা কৰিব পাৰা এয়া কেতিয়াও সম্ভৱ নহয়। এটাই পথ, এজন খোদা আৰু এক আইনৰ মাধ্যমে পাপক ঘৃণা কৰিব পাৰা।

(মাখুজ আজ ৰিভিউ অফ ৰিলিজন উৰ্দু খণ্ড প্ৰথম নম্বৰ ১, পৃষ্ঠা ৯ ৰ পৰা ৩০, মতবুৰা জানুৱাৰী ১৯০২ ইং)